
Content includes AI-generated material

জ্ঞানেন চক্ৰৱৰ্তীক দলৰ পৰা বহিস্কাৰ!



বিতং বাতৰি ১১ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 11, 2025 ■ মঙলবাৰ, ২৬ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৪ Guwahati, Assam ।। মূল্যঃ এটকা

# ‘মাটি-ভেটি’ এৰি থৈ ‘মহাকাশ’ পালে বাজেট



অৰুণোদয়ৰ হিতাধিকাৰী হ’ব ৩৭.২ লাখ

## অৰুণোদয়, নিযুত মাইনা, উদ্যমিতাৰ বাবে ৮৪২৯ কোটি টকা

ই-সংবাদ, ১০ মাৰ্চঃ মহিলা হিতাধিকাৰীৰ তিনি আঁচনি মুখ্যমন্ত্ৰীৰ নিযুত মইনা, অৰুণোদয় ৩.০ আঁচনি আৰু মুখ্যমন্ত্ৰীৰ শেষাংশ ৬ পৃষ্ঠাত

## অসমৰ হ’ব নিজা কৃত্ৰিম উপগ্ৰহ

‘আছাম-ছেট’-এ সীমান্তত বাংলাদেশীৰ প্ৰৱেশৰ দিব তথ্য

গুৱাহাটী, ১০ মাৰ্চঃ ইছৰ’ আৰু ইনস্পেচৰ সহযোগত অসমে নিজাববীয়াকৈ উৎক্ষেপণ ৬ পৃষ্ঠাত চাওক

## হিতাধিকাৰী বৃদ্ধিৰ বাহিৰে একো নাইঃ লুৰীণ



ই-সংবাদ, ১০ মাৰ্চঃ কেৱল হিতাধিকাৰী বৃদ্ধিৰ বাহিৰে অজন্তা নেওগে বিধানসভাত আজি উত্থাপন কৰা বাজেটখনত একো নাই। কেৱল হিতাধিকাৰীৰ বাহিৰে একো শেষাংশ ৩ পৃষ্ঠাত

## বাজেট পইণ্ট

- ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত প্ৰটন থেৰাপী কেন্দ্ৰ স্থাপন।
- ইংৰাজী মাধ্যমৰ স্কুলত অসমীয়া ভাষা, বিটিআৰৰ বিদ্যালয়ত ২ পৃষ্ঠাত চাওক

## ‘আনৰ পিঠাৰে বিহু পতা বাজেট’ ক’লে অখিলে

ই-সংবাদ, ১০ মাৰ্চঃ বিত্তমন্ত্ৰী অজন্তা নেওগে বাজেট দাখিল কৰাৰ ৪ পৃষ্ঠাত



বাজেটৰ পূৰ্বে বিত্তমন্ত্ৰী অজন্তাৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ফটোছেছন, সোমবাৰে

## এইবাৰৰ বাজেট এখন পৰনিৰ্ভৰশীল বাজেটঃ কংগ্ৰেছ




ই-সংবাদ, ১০ মাৰ্চঃ আজি অসম বিধানসভাত ২০২৫-২৬ বৰ্ষৰ বাজেট বিত্তমন্ত্ৰী অজন্তা নেওগে উত্তাপন কৰাৰ পিছতে বাজেটখনক ৪ পৃষ্ঠাত

মুঠ বাজেট ১৫৫৪২৮ কোটি, ঘাটি ৬২০.২৭ কোটি ■ ঋণৰ সপক্ষে চৰকাৰ

# ধাৰ-ঋণৰ গৌৰৱত ওফন্দি অজন্তাৰ ঘাটি বাজেট

● অসমৰ বাজেট ব্যয় ১০ বছৰত ২৫০ শতাংশ বৃদ্ধি পোৱা বুলি দাবী

■ একাধিক অভিলাসী আঁচনি ঘোষণা, বাজেটক ঐতিহাসিক আখ্যা মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ



ই-সংবাদ, ১০ মাৰ্চঃ বিধানসভা নিৰ্বাচনলৈ মাথো ১৪ মাহ বাকী থকা অৱস্থাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ প্ৰথমটো কাৰ্যকালৰ অন্তিমখন বাজেট বিধানসভাত উত্থাপন কৰে। আজি অসম বিধানসভাত ৫ পৃষ্ঠাত চাওক



## ননীৰ বাইক অৱশেষত উদ্ধাৰ

ই-সংবাদ, ১০ মাৰ্চঃ অৱশেষত ৫টা দিনৰ অন্তত গুৱাহাটী আৰক্ষীয়ে বৃহৎ সফলতা শেষাংশ ২ পৃষ্ঠাত

তিনিচুকীয়াত শতাধিক মহিলাৰ তীব্ৰ প্ৰতিবাদ

## লুৰীণক সমৰ্থন দিয়া বাবে কাটিলে ‘অৰুণোদয়’



ই-সংবাদ ব্যুৰ’, তিনিচুকীয়া, ১০ মাৰ্চঃ যোৱা লোকসভা নিৰ্বাচনত লুৰীণজ্যোতি গগৈক সমৰ্থন কৰাৰ বাবেই অৰুণোদয় ৪ পৃষ্ঠাত চাওক


লক্ষ্য উজনি অসম

## ২০০ কোটিৰে ডিব্ৰুগড়ত নিৰ্মাণ হ’ব বিধানসভা

ই-সংবাদ, ১০ মাৰ্চঃ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ জিলা শেষাংশ ৩ পৃষ্ঠাত

মিডিয়াক আকৌ আক্ৰমণ হিমন্তৰ

## বিজেপিৰ বাতৰি দিলে টিআৰপি বাঢ়ে



ই-সংবাদ, ১০ মাৰ্চঃ সততে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাদিন-প্ৰতিদিন নামৰ সংবাদ-গোষ্ঠীটোক ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাজেট পইণ্ট

অসমীয়া-বড়ো ভাষা বাধ্যমূলক
▪ মিছন বসুন্ধৰাৰ অধীনত অহা ৩ বছৰত ৫ লাখ ডিজিটেল পট্টা প্ৰদান
▪ ভূমি প্ৰশাসনৰ বাবে ২০০০টা অতিৰিক্ত পদ সৃষ্টি
▪ চৰ অঞ্চলত মাটিৰ জৰীপ
▪ মেডিকেল কলেজত নতুনকৈ নিযুক্তি পোৱা কৰ্মচাৰীক বাহন ক্ৰয়ৰ বাবে সুতবিহীন ঋণ
▪ আগশাৰীৰ হাস্পতাসমূহক ৰেহাই মূল্যত ভূমি আৰু আন সুবিধা প্ৰদান
▪ লাহোৱালত থকা ডিব্ৰুগড় পলিটেকনিক হ'ব পূৰ্ণাংগ অভাযান্ত্ৰিক মহাবিদ্যালয়
▪ ২১৮খন চাহ বাগিচাত ১১৬ আদৰ্শ বিদ্যালয় কাৰ্যক্ষম আৰু ৯৭খন আদৰ্শ বিদ্যালয় মুকলি
▪ ২৫খন বড়ো মাধ্যমৰ বিদ্যালয়ক আদৰ্শ বিদ্যালয়লৈ উন্নীতকৰণৰ সিদ্ধান্ত।
▪ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা অনুষ্ঠানৰ শিক্ষকক দৰমহা ২০হাজাৰ টকালৈ বৃদ্ধি
▪ কাৰ্বি আংলং ,পশ্চিম কাৰ্বি আংলং, ডিমা হাচাওক নিৰ্মল শক্তি, পৰিৱেশ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ় দিয়া
▪ বিটিচিক ১,১৪৩কোটি টকা
▪ কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদক ৬২১ কোটি টকা
▪ উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদক ৩০৬কোটি টকা
▪ ষ্টাৰ্টআপ, ইনকিউবেচন, উদ্ভাৱন বিভাগক ৬০কোটি টকা
▪ বৰাক উপত্যাকা উন্নয়ন বিভাগৰ বাবে ১০০কোটি টকা
▪ অসমত কণী উৎপাদনত স্বাৱলম্বিতাৰ হকে হাঁহ-কুকুৰা খণ্ডক ২৪কোটি টকা
▪ গাহৰিৰ কৃত্ৰিম প্ৰজননপ বাবে কানাডাৰ পৰা প্ৰজাতি আনিবলৈ ১১কোটি টকা
▪ কেইবাখনো জিলাত হ'ব পোহনীয়া জীৱৰ হাস্পাতাল
▪ যোৰহাট, ধেমাজি আৰু ডিব্ৰুগড়, বজালীত দুগ্ধ সংসাধন প্ৰকল্প
▪ গাঁওবুঢ়াৰ দৰমহা ৯ হাজাৰ টকাৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি
▪ বড়োলেণ্ডৰ জনগোষ্ঠীয় সংঘৰ্ষত ক্ষতিগ্ৰস্ত হৈ সাহায্য নোপোৱাসকলৰ বাবে ৩০ কোটি টকা
▪ আত্মসমৰ্পণ কৰা গোটসমূহৰ পুনৰ সংস্থাপনৰ বাবে ৯৮কোটি টকা
▪ বহিঃৰাজ্য বা বিদেশত মৃত্যু হ'লে সন্মানসহকাৰে ৰাজ্যখনলৈ অনা হ'ব মৃতদেহ
▪ মুম্বাই আৰু দিল্লীত নতুন অসম ভৱন
▪ সত্ৰৰ ভকতক প্ৰতিমাহে ১,৫০০ টকাকৈ
▪ মিছন অলিম্পিকত প্ৰতিভাৱান ৫০০ ল'ৰা-ছোৱালীক প্ৰশিক্ষণ
▪ এডভাণ্টেজ আছাম ২.০ ৫ লাখ কোটি টকাতকৈও অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি
▪ অসমৰ নিজা কৃত্ৰিম উপগ্ৰহ স্থাপন
▪ জাগীৰোড আৰু পলাশবাৰীত টাউনশ্বীপ প্ৰকল্পৰ বাবে ৮ হাজাৰ কোটি
▪ অসমত ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ বাবে ২০০০ কোটিতকৈ অধিক টকা
▪ বন্যপ্ৰাণীৰ আক্ৰমণত নিহতৰ পৰিয়ালৰ এককালীন সাহায্য ৫লাখলৈ বৃদ্ধি
▪ কাজিৰঙাত জিপছীৰ স্থানত নতুন বৈদ্যুতিক বাহনৰ বাবে ২০ কোটি টকা
▪ শংকৰদেৱ কলাক্ষেত্ৰক ১০০কোটি টকাৰ এককালীন অনুদান
▪ ডঃ ভূপেন হাজৰিকা চলচ্চিত্ৰ-দুৰদৰ্শন প্ৰতিষ্ঠানক স্নাতক পৰ্যায়লৈ উন্নীতকৰণ
▪ সকলো জিলা সদৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণ
▪ ৰাজ্যখনৰ জিকিৰ আৰু জাৰীসমূহ থলুৱা ভাষালৈ অনুবাদ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ননীৰ বাইক অৱশেষত উদ্ধাৰ

লাভ কৰিলে। বহিঃৰাজ্যৰ এগৰাকী মহিলা ৰাইডাৰৰ গুৱাহাটীৰ পৰা চুৰি হোৱা বাইকখন অসম-বাংলাদেশ সীমান্তৰ ধুবুৰী জিলাৰ ফকিৰগঞ্জত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কালি নিশা গুৱাহাটী আৰক্ষীৰ নেতৃত্বত যোৱা এটা দলে ইউপি-১৩-বিডব্লিউ-৭৩৭৫ নম্বৰৰ বাইকখন উদ্ধাৰৰ কৰাৰ লগতে বাইক চুৰিৰ সৈতে জড়িত ২৩ বছৰীয়া আশ্ৰাফুল দেৱান, ৩২ বছৰীয়া ফিৰোজ কাজীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বাইকখন এখন চাৰিচকীয়া বাহনত ধুবুৰীৰ পৰা গুৱাহাটীলৈ আনি ৰাইডাৰগৰাকীক গটাই দিয়াৰ ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আৰগত হৈছিল যি বাইকখন বহিঃৰাজ্য বা বিদেশলৈ প্ৰেৰণ কৰাৰ প্ৰয়াস কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ পৰা যোৱা আৰক্ষীৰ দলটোৱে ধুবুৰী আৰক্ষীৰ সহায়ত প্ৰথমে এজন যুৱকক নিৰীক্ষণ কৰিছিল। নিৰীক্ষণত বাইকখন এঠাইৰ পৰা আনঠাইলৈ নিয়াৰ তথ্য লাভ কৰে। সেই সময়তে আৰক্ষীয়ে অভিযান চলোৱাত বাইকখন এজনে কোনো ঠাইলৈ নি থকাৰ খবৰ লাভ কৰে। আৰক্ষীৰ দলে ফকিৰগঞ্জৰ প্ৰেম বজাৰ এলেকাত বাইক উদ্ধাৰ কৰে। লগতে বাসানীপাৰা গাঁও আৰু বালাটাৰী গাঁৱৰ নিজ নিজ গৃহৰ পৰা আশ্ৰাফুল আৰু ফিৰোজক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গুৱাহাটী মহানগৰীৰ পূব মণ্ডলৰ অতিৰিক্ত সহকাৰী আৰক্ষী আয়ুক্ত অনুৰাগ শৰ্মা আৰু বৰিষ্ঠ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত এই অভিযান চলিছিল। অতিৰিক্ত সহকাৰী আৰক্ষী আয়ুক্ত অনুৰাগ শৰ্মা আৰু বৰিষ্ঠ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকক সফল অভিযান চলোৱাৰ বাবে উপ-আৰক্ষী আয়ুক্ত মৃণাল ডেকাই গামোচা পিন্ধাই সম্বৰ্ধনা জনায়। বাইকখন উদ্ধাৰৰ পিছতে এটা ভিডিঅ' শ্বেয়াৰ কৰি ননী নামৰ ৰাইডাৰগৰাকীয়ে গুৱাহাটী আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰিছে। অতিৰিক্ত সহকাৰী আৰক্ষী আয়ুক্ত অনুৰাগ শৰ্মাই কয় যে আৰক্ষীয়ে টিম ৱৰ্কত কাম কৰি সফলতা লাভ কৰা বুলি কয় আৰক্ষীয়ে। লগতে বাইকখন চুৰি হোৱাৰ পিছতে সামাজিক মাধ্যমত ভাইৰেল কৰাত চোৰে বহু দূৰলৈ বাইকখন লৈ যাবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰিছে। অনুৰাগ শৰ্মাই কয় যে আৰক্ষীক বিশ্বাসত ল'ব লাগে। আমি বিগত দিন কেইটাত বহু বাইক উদ্ধাৰ কৰিছো। কিন্তু চুৰি হোৱাৰ লগে লগে আৰক্ষীৰ কাষ চাপিব লাগে। ভাইৰেল কৰিব নালাগে। আৰক্ষীক অভিযোগ দিয়াৰ পূৰ্বেই ননীয়ে চুৰিৰ ঘটনাটো সামাজিক মাধ্যমত ভাইৰেল কৰি দিছিল। ননীৰ অভিযোগৰ পাছতে আৰক্ষী আয়ুক্ত আৰু উপ-আৰক্ষী আয়ুক্ত নেতৃত্ব বাইক উদ্ধাৰৰ অভিযান চলিছিল। এয়া আমাৰ বাবে কম সময়ৰ ভিতৰত উদ্ধাৰৰ এক ডাঙৰ সফলতা। বাইকখনৰ ষ্টিকাৰ এৰাই পেলোৱা হৈছে যদিও বিশেষ ক্ষতি হোৱা নাই। ৫ মাৰ্চৰ নিশা গুৱাহাটীৰ সৰুসজাইৰ কালি মন্দিৰ পথৰ মনিকাঞ্চন উপ-পথৰ মেডি গেষ্ট হাউচত চাৰিজনীয়া দলৰ সৈতে থকাৰ সময়তে নিশা ২ বাজি ৪০ মিনিটত বাইকখন চুৰি হোৱাৰ তথ্য চিচিটিভিত বন্দী হৈছে। বাইক আৰোহীজনৰ প্ৰকৃত নাম নানী। উত্তৰাখণ্ডৰ বাসিন্দা নানীয়ে ছয় মাহ পূৰ্বৰ পৰা সমগ্ৰ দেশ ভ্ৰমণ আৰম্ভ কৰিছে। মহিলাৰ সৱলীকৰণৰ প্ৰচাৰৰ বাবে বিভিন্ন ৰাজ্যৰ ৩০ হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰি অসমলৈ আহিছে। নানীয়ে তাইৰ পোহনীয়া মেকুৰী হুকুমৰ সৈতে ৪ মাৰ্চত গুৱাহাটীত বাইক চলাই উপস্থিত হৈছিল। বাইকখন চুৰি হোৱাৰ খবৰ তেওঁৰ 'ৰাইডাৰ ননী' ফেচবুক পেজৰ পৰা গভীৰ উদ্বেগ প্ৰকাশ কৰি বৰিষ্ঠ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। সমগ্ৰ দেশ ভ্ৰমণ কৰি আহি গুৱাহাটীত চুৰিৰ সন্মুখীন হোৱাক লৈও আক্ষেপ ব্যক্ত কৰিছিল ননীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিতাধিকাৰী বৃদ্ধিৰ বাহিৰে একো নাইঃ

নাই নাই বুলি বাজেটক সমালোচনা কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। কয় যে কেৱল হিতাধিকাৰীৰ বাহিৰে কৃষি প্ৰধান ৰাজ্যখনত কৃষকৰ কথাই উল্লেখ নাই। বান-খহনীয়াৰ কথা উল্লেখ নাই। আশা কৰ্মী, অংগনৱাড়ী কৰ্মী, স্বাস্থ্য বিভাগৰ কেজুৱেল তথা অন্যান্য কৰ্মচাৰী, শিক্ষক-শিক্ষামিত্ৰক কাৰো দাবী পূৰণৰ ৰূপৰেখা নাই। মূল্যবৃদ্ধিৰ কথা উল্লেখ নাই। সামাজিক মাধ্যম যোগে লুৰীণজ্যোতি গগৈয়ে নিৰ্বাচনকেন্দ্ৰীক বাজেট বুলি তীব্ৰ সমালোচনা কৰি কয় যে অসম হৈছে কৃষি অৰ্থনীতি নিৰ্ভৰ এখন ৰাজ্য। ৮০ শতাংশ লোকৰ জীৱন জীৱিকা কৃষি কৰ্মৰ ওপৰত চলে। অথচ এফালে সাৰ, কীট নাশক, বীজ আদিৰ অস্বাভাৱিক আৰু অনিয়ন্ত্ৰিত দাম বৃদ্ধি আৰু আনহাতে পৰ্যাপ্ত পানীৰ অভাৱত কৃষকসকলৰ অৱস্থা দিনে দিনে পানীত হাঁহ নচৰাৰ দৰে হৈছে। এনে পৰিস্থিতিত চৰকাৰে ৰাজ্যত জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা কৰাৰ লগতে সাৰ, বীজ, কীট নাশক আদি পৰ্যাপ্ত পৰিমাণে যোগানৰ ব্যৱস্থা বাজেটত ধাৰ্য্য কৰিব লাগিছিল। বিজেপি চৰকাৰে তেওঁলোকৰ দুয়োটা কাৰ্যকালত জলসিঞ্চন বিভাগটোক চূড়ান্তভাৱে উপেক্ষা কৰাটো ৰাজ্যখনৰ ভৱিষ্যতৰ বাবে ক্ষতিকৰ। যি সময়ত ৰাজ্যৰ ৯৮ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা নাই, তেনে সময়ত কৃষি অৰ্থনীতিৰ ৰাজ্য অসমৰ অৰ্থনৈতিক বিকাশ সাধন কৰাটো কঠিন। লগতে বাজেটত মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ লগতে বান-খহনীয়া ৰোধৰল বাবে একো কথাই উল্লেখ কৰা নাই বুলি দাবী কৰি লুৰীণজ্যোতি গগৈয়ে কয় যে বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান বিজেপি দলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল। বিগত প্ৰায় ৯ বছৰে বিজেপি চৰকাৰে বান-খহনীয়া প্ৰতিৰোধৰ কোনো ধৰণৰ উদ্যোগ গ্ৰহণ কৰা দেখা নগ'ল। ৰাইজৰ আশা আছিল যে বিজেপি মিত্ৰজোঁট চৰকাৰে হয়তো শেষ বাজেটত কিবা এটা কৰিব। কিন্তু বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ প্ৰসংগই এই বাজেটত উল্লেখ নাই। ৰাজ্যৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী, দৰৱ, নিৰ্মাণ সামগ্ৰীৰ অনিয়ন্ত্ৰিত দাম বৃদ্ধি প্ৰতিৰোধৰ কোনো ৰূপৰেখা বাজেটত উল্লেখ কৰা নহ'ল। এইখন ভোট আদায় কৰা বাজেট বুলি উল্লেখ কৰি গগৈয়ে কয় যে কেৱল অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি তথা অন্যান্য হিতাধিকাৰী আঁচনিৰ অন্তৰ্গত হিতাধিকাৰীৰ সংখ্যা আৰু পৰিমাণ বৃদ্ধিৰ বাহিৰে আন কোনো উল্লেখযোগ্য দিশ বাজেটত আছে বুলি ক'ব নোৱাৰি। চৰকাৰৰ ৰাজনৈতিক বাজেটে জনগণৰ প্ৰকৃত কল্যাণ সাধন নকৰে। আশা কৰ্মী, অংগনৱাড়ী কৰ্মী, স্বাস্থ্য বিভাগৰ কেজুৱেল তথা অন্যান্য কৰ্মচাৰী, শিক্ষক-শিক্ষামিত্ৰক কাৰো দাবী পূৰণৰ ৰূপৰেখা বাজেটত উল্লেখ নহ'ল। আজি অসম চৰকাৰৰ বিত্তমন্ত্ৰীয়ে দাখিল কৰা বাজেটখন ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ বাবে কেনেকৈ ভোট আদায় কৰিব পাৰি সেই লক্ষ্যৰে প্ৰস্তুত কৰিছে। যাৰ সৈতে প্ৰকৃতপক্ষে জনকল্যাণৰ কোনো সম্পৰ্ক নাই। চৰকাৰৰ প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য হৈছে জনকল্যাণৰ অগ্ৰাধিকাৰ দিয়া। কিন্তু বিত্তমন্ত্ৰী অজন্তা নেওগৰ এইবাৰৰ বাজেটত সেই বিষয়টোত কোনো গুৰুত্বই দিয়া হোৱা নাই। তাৰ সলনি বিজেপি দলৰ বাবে ভোট সৃষ্টিত প্ৰাধান্য দিয়া হৈছে। এয়া দুৰ্ভাগ্যজনক- কয় লুৰীণজ্যোতি গগৈয়ে। এনেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে লুৰীণে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০০ কোটিৰে ডিব্ৰুগড়ত নিৰ্মাণ হ'ব

ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তুলিব অসম চৰকাৰে। আজি বিধানসভা দাখিল কৰা বাজেটত এই স্পষ্ট ইংগিত প্ৰদান কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ অংশ হিচাপে ৰাজ্য চৰকাৰে ডিব্ৰুগড়ত নিৰ্মাম কৰিব নতুন বিধানসভা ভৱন আৰু বিধায়ক হোষ্টেল। ইয়াৰ বাবে আজি বাজেটত ধাৰ্য কৰা হৈছে ২০০ কোটি টকা। বাজেট দাখিলৰ পিছত সম্বোধন কৰা সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে আগন্তুক তিনি বছৰৰ ভিতৰত ডিব্ৰুগড়ক এই নতুন প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। লক্ষ্যণীয় যে, ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে বাছনি কৰাৰ আঁৰৰ ৰাজ্য চৰকাৰৰ কৌশল স্পষ্ট। হিমন্ত বিশ্ব শৰ্মাই কয়, "ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাটো আমাৰ চৰকাৰৰ এক ডাঙৰ পদক্ষেপ। ইয়াত আমি এটা স্থায়ী বিধানসভা ভৱন আৰু বিধায়ক হোষ্টেল নিৰ্মাণ কৰিম, যাৰ ফলত আমাৰ প্ৰশাসনিক কাম-কাজ অধিক শক্তিশালী আৰু কাৰ্যক্ষম হ'ব।" ডিব্ৰুগড়ত এই নতুন আন্তঃগাঁথনি নিৰ্মাণে ৰাজ্য চৰকাৰৰ শাসন ব্যৱস্থা অধিক স্বচ্ছ আৰু কাৰ্যক্ষম কৰি তুলিব, যিয়ে অসমৰ জনসাধাৰণৰ জীৱন উন্নত কৰাত সহায় কৰিব বুলি দাবী কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। হিমন্ত বিশ্ব শৰ্মাই লগতে কয়, "ডিব্ৰুগড়ত বিধানসভা ভৱন নিৰ্মাণ কৰি আৰু বিধায়ক হোষ্টেল স্থাপন কৰি আমি কেৱল প্ৰশাসনিক সা-সুবিধা বৃদ্ধি কৰাই নহয়, স্থানীয় জনসাধাৰণৰ বাবে নিয়োগৰ সুযোগো সৃষ্টি কৰি ইয়াৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি সাধন কৰিম।" মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ উপৰিও ডিব্ৰুগড়ৰ উন্নয়নৰ বাবে অন্যান্য আন্তঃগাঁথনি প্ৰকল্পও গ্ৰহণ কৰা হ'ব, যাৰ জৰিয়তে চহৰখন আধুনিক আৰু কাৰ্যক্ষম প্ৰশাসনিক কেন্দ্ৰ হিচাপে পৰিচিত হ'ব। উল্লেখ্য যে, হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ এই পদক্ষেপ কেৱল প্ৰশাসনিক উন্নয়নৰ দৃষ্টিকোণৰ পৰাই নহয়, ৰাজনৈতিক দৃষ্টিকোণৰ পৰাও গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ডিব্ৰুগড় দীৰ্ঘদিন ধৰি পূৱ অসমৰ বাণিজ্যিক আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে পৰিচিত হৈ আহিছে। আগতে এই চহৰখন চাহ, তেল, কাঠৰ ব্যৱসায়ৰ বাবে বিখ্যাত আছিল যদিও বৰ্তমান প্ৰশাসন আৰু অৰ্থনীতিৰ ক্ষেত্ৰত ৰাজ্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ কেন্দ্ৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "অহা তিনি বছৰত আমি ডিব্ৰুগড়ক ভাৰতৰ এখন গুৰুত্বপূৰ্ণ চহৰ হিচাপে গঢ়ি তুলিব বিচাৰো। ই কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ দেশৰ বাবেও এক আদৰ্শ হৈ পৰিব।" তদুপৰি এই সিদ্ধান্ত ৰাজ্য চৰকাৰৰ বাবে ৰাজনৈতিকভাৱে লাভজনক হ'ব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰা হৈছে। একাংশৰ মতে, ডিব্ৰুগড়ৰ উন্নয়নে অনাগত দিনত উপত্যকা আৰু নদীৰ পাৰৰ জনসাধাৰণৰ মাজত বিশেষকৈ হিন্দু আৰু জনজাতীয় মুছলমান সম্প্ৰদায়ৰ মাজত সংহতি বৃদ্ধিত সহায় কৰিব। ইয়াৰ দ্বাৰা ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক বৈষম্য হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। ইফালে, ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে ঘোষণা কৰাৰ পিছত ৰাজ্য চৰকাৰে আৰু কিছু উন্নয়নমূলক প্ৰকল্পৰ কথা ঘোষণা কৰিছে। ইয়াৰ ভিতৰত ডিব্ৰুগড়ত নতুন ব্যৱসায়িক কেন্দ্ৰ গঢ়ি তোলা, শিক্ষানুষ্ঠান আৰু চিকিৎসালয় নিৰ্মাণ কৰা, মহানগৰীৰ আন্তঃগাঁথনি উন্নয়ন কৰা আদি অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ স্থাপন কৰি পৰিবহণ সেৱাৰ উন্নতিৰ পৰিকল্পনা কৰিছে চৰকাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই পদক্ষেপক অসমৰ ৰাজনৈতিক ইতিহাসৰ এক ডাঙৰ পদক্ষেপ হিচাপে দেখা গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "ডিব্ৰুগড়ৰ উন্নয়নে অসমক নতুন দৃষ্টিকোণৰ পৰা চোৱাত সহায় কৰিব। এই চহৰখনে কেৱল প্ৰশাসনিক কেন্দ্ৰ হিচাপেই নহয়, সাংস্কৃতিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপেও ডাঙৰ ভূমিকা পালন কৰিব।" মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয়, 'আমি কেৱল অসমৰ উন্নতিৰ বাবেই কাম কৰাই নহয়, এটা নতুন ধাৰণা আৰু এটা নতুন পদক্ষেপৰ জৰিয়তে অসমক আধুনিক আৰু উদাৰ ৰাজ্য হিচাপে গঢ়ি তুলিব বিচাৰিছো।"

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰৰ বাজেট এখন পৰনিৰ্ভৰশীল

পৰনিৰ্ভৰশীল আখ্যা দিছে কংগ্ৰেছে। ৩৬ হাজাৰ ১৮৫ কোটি টকা পুনপ ঋণ ল'ব খোজা কাৰ্যক তীব্ৰ আক্ৰমণ কৰে। কংগ্ৰেছ নেতা ৰিপুন বৰাই বাজেটখনত পৰনিৰ্ভৰশীল আখ্যা দিছে। এইখন বাজেটক প্ৰতিশ্ৰুতিৰে বন্যাৰে ভৰা। বাজেটৰ লগত কোনো সম্পৰ্ক নথকা কেৱল অলংকাৰ লগাই তাক দীঘল কৰি ৰাইজক প্ৰলোভন দিয়া এখন বাজেট। আনহাতে কালজয়ী কবিতাৰ পংক্তিৰে বাজেটত সমালোচনা কৰে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। "সুখ নাই সুখ নাই ক'তো ধৰুৱাৰ/অনুমাত্ৰ সুখ নাই চিৰ ৰূগীয়াৰ"-কবিতা আওৱাই দেৱব্ৰত শইকীয়াই কয় যে চৰকাৰে যেতিয়া ইমান ঋণ লৈছে তাৰ বাবে নাগৰিকৰ লগতে ময়ো চিন্তিত। ইপিনে জিলাই জিলাই মণ্ডল সভাপতিৰ সভা কৰি ৰাজ্য ভ্ৰমি থকা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই দৰঙত সভা কৰি থকাৰ সময়তে পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগক দিয়া টকা খৰচ কৰিব নোৱাৰাৰ বাবে টকা উভতি গৈছে বুলি দাবী কৰে। বাজেটত শিক্ষাৰ্থীক ২৫০০ টকাকৈ দিয়াৰ যি ঘোষণা সেই ঘোষণাক উভতি ধৰি ভূপেন বৰাই তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে পঢ়ি থকাকালত আপুনি ২৫০০ টকাকৈ দিব ঠিক আছে। কিন্তু ৩৬ লাখ যে পঞ্জীকৃত নিবনুৱা আছে বাজেটৰ জড়িয়তে তেওঁলোকক কি দিব বিচাৰিছে। পঢ়া শেষৰ পিছত লগে লগে সংস্থাপন দিব নে নিদিয়ে। এই কথা স্পষ্ট কৰক। চৰকাৰ গঠন কৰিব পাৰিলে প্ৰথম এশ দিনতে ১০ লাখ নিবনুৱাক সংস্থাপন দিম বুলি প্ৰতিশ্ৰুতি দিয়ে বৰাই। বাজেটক লৈ কাইলৈ প্ৰতিক্ৰিয়া দিম বুলি কৈ ভূপেন বৰাই কয় যে বিধানসভাত বিধায়িনী দলে আৰু বাজেটখন অধ্যয়ন কৰি মই কাইলৈ প্ৰতিক্ৰিয়া দিম। আনহাতে অসং প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই বাজেটক সমালোচনা কৰিছে। বেদব্ৰত বাৰই কয় যে অজন্তা নেওগৰ বাজেটখন পঢ়ি এনে এটা ভাব হ'ল যে এইখন বাজেট আঁকাশত চাং পটা বাজেট। এই বাজেটখনৰ প্ৰতিশ্ৰুতিসমূহ পালন কৰিবৰ বাবে ৩৬ হাজাৰ ১৮৫ কোটি টকা পুনৰ ঋণ ল'ব। অৰ্থাৎ ২০২৫-২৬ বৰ্ষলৈ ঋণৰ পৰিমাণ ২ লাখ কোটিতকৈ বেছি হ'ব গৈ। ঋণৰ বিনিময়ত চৰকাৰে দিব লগা সুদ প্ৰতিবছৰে ১০ হাজাৰ কোটিতকৈ বেছি হ'ব। বাজেটখনত শিক্ষাখণ্ডত নতুনকৈ পুঁজি নিৰ্ধাৰণ কৰা নাই। নতুন শিক্ষক নিযুক্তি বা নতুন পে কমিচন আহিলে শিক্ষকসকলৰ দৰমহাৰ ক্ষেত্ৰত কোনো নতুন নিৰীখ নাথাকিব। দেখা গৈছে যে স্বাস্থ্য খণ্ডত ৭ শতাংশ পুঁজি কমকৈ নিৰ্ধাৰণ কৰা হৈছে। পৰিবহন ক্ষেত্ৰত ১২ শতাংশ কমকৈ নিৰ্ধাৰণ কৰা হৈছে। অৰ্থনীতিৰ বুনিয়াদ গঢ়া কৃষিত ৭ শতাংশ বাজেট কমকৈ নিৰ্ধাৰণ কৰা হৈছে। গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত ৩০ শতাংশ পুঁজি কমকৈ নিৰ্ধাৰণ কৰা হৈছে। একেলগে গৃহ নিৰ্মাণৰ ক্ষেত্ৰটো পুঁজিৰ পৰিমান কমাই দিয়া হৈছে। চৰকাৰখনে ইয়াৰ আগৰ বিত্তীয় বৰ্ষত অনুসূচিত জাতি-জনজাতিপ বাবে নিৰ্ধাৰণ কৰা ৫১ শতাংশ পুঁজি ব্যয় কৰিব নোৱাৰিলে। সঠিকভাৱে পুঁজি ব্যয় কৰিব নোৱাৰা এই চৰকাৰখনে কেৱল চমক দিবৰ বাবে বাজেট ভাষণ প্ৰস্তুত কৰিছে। এয়া কথাৰ ফুলজাৰিৰ বাহিৰে আন একো নহয়- কয় বেদব্ৰত বৰাই। এনেদৰে বিৰোধীয়ে বাজেটক সমালোচনা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'আনৰ পিঠাৰে বিহু পতা বাজেট' ক'লে

পিছতে বাজেটক লৈ সৰৱ হৈ পৰিছে শিৱসাগৰৰ বিধায়ক অখিল গগৈ। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ বাজেটখনত একো বাস্তৱসন্মত কথা নাই বুলি দাবী কৰে। তেওঁ কয় যে এই বাজেটখনেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত বিত্তমন্ত্ৰী অজন্তা নেওগে অসমৰ ৰাইজক টুপী দিছে। "এই বাজেট আনৰ পিঠাৰে বিহু পতা কথাৰ দৰে এখন হাঁহি উঠা বাজেট।"- অখিল গগৈয়ে কয়। আনহাতে অসমে নিজাববীয়াকৈ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰিব বুলি বাজেটত কৰা ঘোষণাক লৈয়ো প্ৰতিক্ৰিয়া ব্যক্ত কৰে বিধায়ক গগৈয়ে। তেওঁ কয় যে চৰকাৰৰ আচলতে জনসাধাৰণ কামত অহা কাম কৰিবলৈ সমূলি ইচ্ছা নাই। সেয়ে মানুহক চমক দিবৰ বাবে আৰু সাধাৰণ মানুহক বুৰ্বক বনাবৰ বাবে সপোনতে কিছুমান আবোল-তাবোল ঘোষণা কৰি থকাতো চৰকাৰৰ অভ্যাস হৈ গৈছে। সেই অভ্যাসৰ বাবেই এইবাৰ বাজেটত কৃত্ৰিম উপগ্ৰহৰ কথা কৈছে বুলিও কয় গগৈয়ে। তেওঁ কয়, "অসমক টুপী দিবৰ বাবে কৃত্ৰিম উপগ্ৰহ স্থাপনৰ কথা কৈছে।" গগৈয়ে কয়, "বাজেটত হিতাধিকাৰীৰ আঁচনিৰ বাহিৰে একো নাই। ২০২৬ত কাৰ কাৰ পৰা ভোট পাব পাৰি সেইবোৰক লৈ কৰা অংকহে আছে। বাজেটখনত সত্তৰ শতাংশই আহিব ধাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা। এনে এখন বাজেটক লৈ অসমৰ একো উন্নতি নহয়।" ইফালে, অখিল গগৈৰ দল ৰাইজৰ দলে বাজেটক লৈ এক বিবৃতিও প্ৰদান কৰিছে। বিবৃতিটোত হিমন্ত চৰকাৰ অসমীয়া জাতিৰ আধাৰ নিৰ্মাণৰ কৰিব পৰাকৈ বাজেট প্ৰস্তুত কৰাত ব্যৰ্থ হৈছে বুলি দাবী কৰে। নিবনুৱা সমস্যা দূৰীকৰণৰ বাবেও বাজেটত কোনো কাৰ্যকৰী পদক্ষেপ নাই বুলিও কয় ৰাইজৰ দলে। ভোটবেংকৰ স্বাৰ্থত অৰুণোদয়ৰ লগতে অন্যান্য হিতাধিকাৰী আঁচনিৰে কেইটামান টকা দি আগন্তুক নিৰ্বাচনত দলটো জয়ী হোৱাৰ কৌশলহে এই বাজেটত প্ৰতিফলিত হৈছে বুলি অভিযোগ কৰেদলটোৱে। শিৱসাগৰ আৰু মাজুলীক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰিব পৰাকৈ কেবিনেটে প্ৰয়োজনীয় পুঁজি যোগানৰ পদক্ষেপ লোৱাত অসম চৰকাৰক ধন্যবাদ দিয়ে অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লুৰীণক সমৰ্থন দিয়া বাবে কাটিলে

আঁচনিৰ নাম কৰ্তন কৰাৰ অভিযোগ তুলি তিনিচুকীয়াৰ পানীতোলা বৰুৱাহোলাৰ শতাধিক মহিলাই আজি তিনিচুকীয়া চহৰৰ বৰগুৰিস্থ জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত প্ৰতিবাদত বহে। তিনিচুকীয়া জিলাৰ পানীতোলাৰ বৰুৱাহোলা গাঁও পঞ্চায়তৰ অন্তৰ্গত শতাধিক মহিলাই পূৰ্বে লাভ কৰা অসম চৰকাৰৰ অৰুণোদয় আঁচনিৰ পৰা বাদ পৰিল। অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত হোৱা পঞ্চায়তৰ মহিলাসকলে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, যোৱা লোকসভাৰ নিৰ্বাচনত বিজেপিৰ বিপৰীতে অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈক সমৰ্থন কৰাৰ বাবেই তেওঁলোকৰ নাম কৰ্তন কৰাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদী মহিলাসকলে। অঞ্চলটোৰ বহু যোগ্য মহিলা তথা শাৰীৰিকভাৱে সক্ষম, দৰিদ্ৰ সীমাৰেখা তলৰ মহিলা, বিধৱা মহিলাই পূৰ্বে লাভ কৰা অৰুণোদয় আঁচনিৰ পৰা এইদৰে নাম কৰ্তন কৰাৰ ঘটনাই এতিয়া বিশেষ তাৎপৰ্য বহন কৰিছে। উক্ত কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি মটক যুৱ-ছাত্ৰ পৰিষদৰ লগতে বিভিন্ন দল-সংগঠন আৰু অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত শতাধিক মহিলাই তিনিচুকীয়া জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। অৰুণোদয় আঁচনিৰ পৰা এনেদৰে নাম কৰ্তনৰ ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধাৰ-ঋণৰ গৌৰৱত ওফন্দি অজন্তাৰ

উত্থাপন কৰা প্ৰাক নিৰ্বাচনী বাজেটত কেৱল হিতাধিকাৰী সৃষ্টিৰ কথাই ঠাই পায়। আজি বিত্তমন্ত্ৰী অজন্তা নেওগে ১১ বাজি ৩০ মিনিটৰ পৰা 'য'ত নাৰী শক্তিক সন্মান কৰা হয়, তাত দেৱতাসকলে বাস কৰে' শীৰ্ষক আধ্যাত্মিক বাণীৰে বাজেট ভাষণ আৰম্ভ কৰে। বাজেটত অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ উদ্যামিতা আঁচনি, নিযুত মাইনা আঁচনি, যুৱ লেখকক সাহায্য, সত্ৰৰ ভকতক সাহায্য, চাহ শ্ৰমিক, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম, লাখপতি বাইদেউ জীৱন প্ৰেৰণা আঁচনি, গৱেষক শিক্ষাৰ্থীক সাহায্য প্ৰদানৰ ঘোষণা কৰা হয়। মুঠতে চৰকাৰে বিভিন্ন ক্ষেত্ৰৰ জ্যেষ্ঠ-কনিষ্ঠ, মহিলা, যুৱক-যুৱতী, ছাত্ৰক একাউণ্টে যোগে ধন প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি উত্থাপন কৰা বাজেট অনুসৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বিত্তমন্ত্ৰী নেওগে দাখিল কৰে মুঠ ১,৫৫,৪২৮.৭৫ কোটি টকাৰ বাজেট। ৬২০.২৭ কোটি টকাৰ ঘাটি বাজেট দাখিল কৰে অজন্তা নেওগে। অহা বছৰৰ আৰম্ভণিতে অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচন কেন্দ্ৰীক বাজেট বুলি ক'ব পৰাৰ থল আছে। ১,৫৫,৪২৮.৭৫ কোটি টকাৰ বাজেট দাখিল কৰিছে যদিও চৰকাৰে ঋণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাই দেখা গৈছে। কিয়নো বাজেটত নিৰ্ধাৰণ কৰা মুঠ ধনৰ ২৩.২৮ শতাংশ ধন বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ যোগে সংগ্ৰহ কৰিব চৰকাৰে। আনহাতে, বাজেটৰ ২৮.৬৩ শতাংশ ধন কেন্দ্ৰীয় কৰ, ২২.৪০ শতাংশ ৰাজ্যৰ নিজা কৰৰ পৰা, কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি ১৫.৯৩ শতাংশ আৰু অনা কৰ ৰাজহৰ পৰা ৫.৩৮ শতাংশ ধন সংগ্ৰহ কৰিব বুলি বাজেট নিৰ্ধাৰণ কৰা হৈছে। ১,৫৫,৪২৮.৭৫ কোটি টকাৰ বাজেটৰ ২৩.২৮ শতাংশ ঋণ ল'ব। অসমক দেশৰ ৫ খন উন্নত ৰাজ্যলৈ উন্নীত কৰি সপোন দেখুওৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই ঘৰুৱা উপাৰ্জন বৃদ্ধি কৰিব নোৱাৰিলে। যাৰ বাবে ঋণৰ ওপৰত নিপ্ভপশীল হ'বলগীয়া গৈছে। এনেদৰে ঋণ লৈ ৰাজ্য চলাই থকাৰ ফলত ২০২৫-২৬ বৰ্ষত ঋণৰ পৰিমাণ ২ লাখ কোটিতকৈ বেছি হ'ব। আজি হিমন্ত বিশ্ব শৰ্মা চৰকাৰে দাখিল কৰা বাজেটত হিতাধিকাৰীক অত্যাধিক গুৰুত্ব দিছে। অসমত ৪০ লাখ পৰিয়ালে বিনামূলীয়া চাউল লাভ কৰা হিতাধিকাৰী আছে। ২০২৩ চনৰ ডিচেম্বৰলৈ অৰুণোদয়ৰ হিতাধিকাৰী আছিল ২৪ লাখ। ২০২৫-২৬ বিত্তীয় বৰ্ষত অৰুণোদয় ৩.০ৰ অধীনত হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি কৰিব চৰকাৰে। ২০২৫ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত ৩৭.২ লাখ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু ইয়াৰ বাবে ৫ হাজাৰ কোটি টকা আছুতীয়াকৈ ৰাখিছে চৰকাৰে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ হিতাধিকাৰী হ'ব ৩২ লাখ। ৪.৩ লাখলৈ বৃদ্ধি পাব নিযুত মাইনা আঁচনিৰ হিতাধিকাৰী। ৬.৮ লাখ শ্ৰমিকক দিব ৫ হাজাৰকৈ এককালীন বিত্তীয় সাহায্য। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিত হিতাধিকাৰী বৃদ্ধি হ'ব ১ লাখলৈ। লাখপতি বাইদেউ আঁচনিৰ হিতাধিকাৰী ৮.৮২ লাখলৈ বৃদ্ধি পাব। সত্ৰৰ ভকতক মাহেকত দিয়া হ'ব ১৫০০ টকা। সকলো গৱেষক শিক্ষাৰ্থীক দিব ২৫ হাজাৰকৈ টকা। এহেজাৰ যুৱ লেখকক দিব ২৫ হাজাৰ টকাকৈ। এইখন বাজেট মতে, এতিয়া অসমত সৰ্বমুঠ হিতাধিকাৰী হ'ব ১ কোটি ৩০ লাখ। ইফালে, বিধানসভাত ২০২৫-২৬ বৰ্ষৰ বাজেট বিত্তমন্ত্ৰী অজন্তা নেওগে উত্থাপন কৰাৰ কিছু সময় পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাজেটখনক উচ্চ প্ৰশংসা কৰে। আদৰ্শ আৰু ভৱিষ্যতক বাজেটখনক এক অন্যান্য সমাহেৰেৰে উপচাই তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিত্তমন্ত্ৰী অজন্তা নেওগক ধন্যবাদ যাচে। ২০১৫-১৬ বৰ্ষৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৬৬,১৪২ কোটি টকাৰ বাজেট। খৰচ কৰিছিল ৪১ হাজাৰ কোটি। ৪১ হাজাৰ কোটি টকাত বছৰ চলা ৰাজ্যখন এতিয়া দহ বছৰৰ পিছত ১ লাখ ৪৪ হাজাৰ কোটি টকা বাজেট। কম ঋণ লোৱা ৰাজ্যসমূহৰ তালিকাত আজি অসমে স্থাপন লাভ কৰিছে। পঞ্জাৱ, হিমাচল, অৰুণাচল, পশ্চিমবংগ, নাগালেণ্ড, কেৰালা, ৰাজস্থান, বিহাৰ, মেঘালয়, তামিলনাডু, মধ্য প্ৰদেশতকৈ ঋণ কম। ৰাষ্ট্ৰীয় গড় বৃদ্ধিৰ ক্ষেত্ৰত অসমৰ গড় বৃদ্ধি হৈছে। অসম এখন কাৰোবাৰ মুখলৈ চাই থকা এখন ৰাজ্য হ'ব নালাগে। ভাৰতবৰ্ষৰ প্ৰগতিত অসমে বৰঙণি যোগাব লাগে। সমগ্ৰ দেশৰ ১০ শতাংশ বিকাশৰ পৰিৱৰ্তে অসমৰ ১৩ শতাংশ বিকাশ হ'ব। অসমে ৰাজ্যৰ ভৱিষ্যতৰ বাবে কাম কৰি আহিছে। বহু সময়ত আমাৰ চৰকাৰে ঋণ কিমান লয় তাক লৈ আলোচনা কৰা হয়। আমি সম্পত্তি বৃদ্ধি কৰিছো। যিসকলে অৰ্থনীতি বুজি পায় তেওঁলোকে আমাক সমালোচনা নকৰে। যোৱা ১০ বছৰত ৰাজহুৱা উদ্যোগত যোৱা ১০ বছৰত নতুন গতি দিয়া হৈছে। বৰ্তমান ৰাজহুৱা প্ৰতিষ্ঠানৰ মুঠ মূল্য হৈছে ৪০ হাজাৰ ৩৮০ কোটি টকা বুলি কয় মুখ্যমন্ত্ৰীয়ে। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে হাতী-মানুহৰ সংঘাত বন্ধ কৰাৰ প্ৰসংগ উল্লেখ কৰি কয় যে হাতীৰ খাদ্যৰ সৃষ্টি কৰা আৰু জৈৱ গেছৰ উৎপাদন কৰাৰ বাবে বাজেটত এক উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ঘাঁহ খেতিৰ জৰিয়তে হাতী-মানুহৰ সংঘাত দূৰীকৰণৰ ক্ষেত্ৰত প্ৰচেষ্টা ল'ব। হাতী-মানুহৰ সংঘাত থকা ৫ খন জিলা-গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা আৰু শোণিতপুৰত গজমিত্ৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। পশু খাদ্যই প্ৰাকৃতিক বাধা হিচাপে কাম কৰি শস্য পথাৰত হাতীৰ উপদ্ৰৱ হ্ৰাস কৰাৰ লগতে ঘনীভূত জৈৱ গেছৰ উৎপাদনতো সহায় কৰিব। জৈৱ গেছ উৎপাদন কৰাৰ বাবে অসম চৰকাৰে ইতিমধ্যে ৰিলায়েন্সৰ লগত বুজাবুজিৰ চুক্তি সম্পাদন কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৈদ্যুতিক বাহনৰ ব্যৱহাৰ বৃদ্ধি কৰা হ'ব। ইন্ধন চালিত বাহনৰ ব্যৱহাৰ বন্ধ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ভ্ৰমণৰ বাবে ব্যৱহৃত পুৰণি জিপ্‌ছিবোৰ আঁতৰাই আমি নতুন বাহন, বিশেষকৈ বৈদ্যুতিক বাহন যোগান ধৰিম। হলৌ, সোণালী বান্দৰ, আন বান্দৰ প্ৰজাতিৰ জন্তুবোৰে সঘনাই পাৰ হোৱা পথ আৰু ৰে'ল লাইনৰ অংশবোৰত বিজ্ঞানসন্মত আহিৰে সুৰক্ষা জালসহ মজবুত ওলোমা দলং নিৰ্মাণেৰে সুৰক্ষিত আহ-যাহ নিশ্চিত কৰা হ'ব। এই বাজেটে জনসাধাৰণৰ মাজত মিশ্ৰিতি প্ৰতিক্ৰিয়া লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ বাতৰি দিলে টিআৰপি বাঢ়ে

আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা যায় যদিও আজি মুখ্যমন্ত্ৰীয়ে অন্য এটা সংবাদ গোষ্ঠীক আক্ৰমণৰ লক্ষ্য কৰি লয়। মুখ্যমন্ত্ৰীয়ে বাবে বাৰে সাদিন-প্ৰতিদিনৰ নামৰ সংবাদ প্ৰতিষ্ঠানটোৰ নাম মুখত লয় যদিও আজি সাংবাদিকক নীতি শিক্ষা দি এনডি-২৪ নামৰ সংবাদ প্ৰতিষ্ঠানটোক আক্ৰমণৰ লক্ষ্য কৰি লয়। আজি বাজেট দাখিলৰ পিছতে মুখ্যমন্ত্ৰীয়ে সম্বোধন কৰা সংবাদমেলত সাংবাদিকে হিতাধিকাৰী সৃষ্টি কৰি মানুহক কিনিব খোজা বিৰোধীৰ অভিযোগক লৈ প্ৰশ্ন কৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মা অগ্নিশৰ্মা হৈ এটা নিৰ্দিষ্ট সংবাদ প্ৰতিষ্ঠানক আক্ৰমণৰ লক্ষ্য কৰি লয়। মুখ্যমন্ত্ৰীয়ে প্ৰশ্ন কৰা সাংবাদিকক পেপাৰৰ বুলি প্ৰশ্ন কৰি সাংবাদিজনে সংবাদ প্ৰতিষ্ঠানটোৰ নাম কোৱাত মুখ্যমন্ত্ৰীয়ে উভতি ধৰি কয় যে আপোনালোকেও এইবোৰ দেখুৱাই থাকে। আপোনালোকে কয় অ'পিএছ নাই, চিকিৎসা ব্যয় নাই। আপোনালোকে লিখি থাকে দুখীয়া, প্ৰজা এইবোৰ কথা। আপোনালোকে লিখা কথাবোৰ কৰিলেই আকৌ আপোনালোকে প্ৰশ্ন কৰে। যদি আপোনালোকে এনে কৰি থাকে তেতিয়া অৰুণোদয় হিতাধিকাৰীয়ে আপোনাৰ টিভি চোৱা বন্ধ কৰি দিব। তেতিয়া সাংবাদিকজনে কয় যে বাহিৰত বিৰোধী দলে বাইট দিছে। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যে সেই কাৰণে কংগ্ৰেছ-এআইইউডিএফক মানুহে ভোট নিদিয়ে। আপোনাৰ টিভি চোৱাও বন্ধ কৰি দিব। মুখ্যমন্ত্ৰীয়ে ইমানতে ক্ষান্ত নাথাকি সকলো সীমা চেৰাই গৈ আৰু কয় যে যি সংবাদ প্ৰতিষ্ঠান বিজেপিৰ সপক্ষে থাকিব তাৰ টিআৰপি বাঢ়িব। যিয়ে বিজেপিৰ বিৰুদ্ধে ক'ব তাৰ টিআৰপি কমিব। অৰুণোদয় হ'ল, মুখ্যমন্ত্ৰীৰ উদ্যমিতা হৈ গ'ল। অসমৰ মানুহখিনি বিজেপিৰ লগত। আপোনাৰ টিভিটো যদি বাংলাদেশত চলাব লাগে আমাৰ বিৰুদ্ধে কওক। যদি অসমত আছে আমাৰ সপক্ষে কওক। আমাৰ সপক্ষে কোৱা মানুহৰ টিআৰপি বেছি। মুখ্যমন্ত্ৰীয়ে কয় যে মানুহ বিজেপিৰ লগত। এআইইউডিএফৰ লগতে ক'ত মানুহ আছে। বিজেপিৰ লগত মানুহ। কালি গৌৰৱ গগৈয়ে কৈছে মহিলাক ১০ হাজাৰ নিদিলে। আজি আকৌ কৈছে হিতাধিকাৰীৰ সৃষ্টি কৰিছে। আজি যদি অৰুণোদয় দুমাহ বন্ধ কৰি দিও কংগ্ৰেছে হাল্লা কৰিব। অখিল গগৈয়ে কোৱা মতে, মই বন্ধ কৰি দিম। তাক সুধিব তাৰ তাকট আছে নেকি? শিৱসাগৰত দুমাহ অৰুণোদয় আঁচনি বন্ধ কৰি দিলে অখিলবানপানীতকৈ বেছি দূৰত গুছি যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মাটি-ভেটি’ এৰি থৈ ‘মহাকাশ’ পালে

কৰিব কৃত্ৰিম উপগ্ৰহ- আজি বিত্তমন্ত্ৰী অজন্তা নেওগে অসম বিধানসভাত দাখিল কৰা বাজেটত এই ঘোষণা কৰাৰ পিছতে বিদ্যুৎ মহলৰ মাজত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা অসম ভাৰতৰ প্ৰথমখন ৰাজ্য হ'ব বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও। কিন্তু বিজেপি চৰকাৰে নিজা উপগ্ৰহ উৎক্ষেপণ কৰিব বুলি কৰা ঘোষণা সম্পূৰ্ণৰূপে বিভ্ৰান্তিকৰ আৰু জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ প্ৰয়াসৰ বাহিৰে আন একো নহয় বুলি দাবী কৰিছে বিৰোধী আৰু বৌদ্ধিক মহলে। উল্লেখ্য যে, সোমবাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰি বিত্তমন্ত্ৰী অজন্তা নিয়গে কয় যে মহাকাশ বিভাগৰ অধীনত ইন-স্পেচৰ সৈতে যৌথ উদ্যোগত ‘আছামছেট’ নামৰ এটা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰা হ'ব, যিটো কৃষি, দুৰ্যোগ ব্যৱস্থাপনা, আন্তঃগাঁথনি উন্নয়ন, সীমান্ত সুৰক্ষা আৰু আৰক্ষীৰ চোৰাচিতাৰ ক্ষেত্ৰত সহায়ক হ'ব। পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু এখোজ আগুৱাই গৈ দাবী কৰে যে অসমেই দেশৰ প্ৰথমখন ৰাজ্য হ'ব, যাৰ থাকিব নিজা কৃত্ৰিম উপগ্ৰহ। কিন্তু মুখ্যমন্ত্ৰীৰ এই দাবী সম্পূৰ্ণৰূপে ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি দাবী কৰিছে একাংশই। লক্ষ্যণীয় যে, দেশৰ কোনো ৰাজ্যই পোনপটীয়াকৈ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণ কৰিব নোৱাৰে। এয়া হৈছে কেৱল ভাৰতীয় মহাকাশ গৱেষণা সংস্থা বা ইছৰ'ৰ জৰিয়তে নিয়ন্ত্ৰিত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিষয়। অৱশ্যে কৰ্ণাটক, মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, তামিলনাডুৰ দৰে ৰাজ্যই পূৰ্বে কিছুমান তথ্য সংগ্ৰহৰ বাবে ইছৰ'ৰ সৈতে চুক্তিবদ্ধ হৈ আছে যদিও এতিয়ালৈকে কোনো ৰাজ্যই নিজাকৈ উপগ্ৰহ উৎক্ষেপণ কৰিব পৰা নাই। এনে পৰিপ্ৰেক্ষিততে অসমৰ মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা কেৱল বিভ্ৰান্তিকৰ আৰু অসম্ভৱ বুলি দাবী কৰিছে মহাকাশ বিশেষজ্ঞসকলেও। বৌদ্ধিক মহলৰ মতে, মুখ্যমন্ত্ৰীয়ে অসমৰ বাবে উপগ্ৰহ থকাৰ সুবিধাৰ বিষয়ে যিদৰে বুজাইছে সেয়া বাস্তৱৰ সৈতে সম্পূৰ্ণ সংস্পৰ্শৰ বাহিৰত। তেওঁ কয় যে যদি আমাৰ নিজা উপগ্ৰহ থাকিলহেঁতেন তেন্তে আমি অবৈধ অনুপ্ৰৱেশকাৰীৰ গতিবিধি প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰিব পাৰিলোহেঁতেন, বানপানীৰ আগতীয়া সতৰ্কবাণী লাভ কৰিব পাৰিলোহেঁতেন, কৃষকসকলক বতৰৰ তথ্য প্ৰদান কৰিব পাৰিলোহেঁতেন। কিন্তু প্ৰশ্ন হ'ল- ভাৰতীয় উপগ্ৰহৰ জৰিয়তে চৰকাৰে ইতিমধ্যে এই সেৱাসমূহ লাভ কৰে, গতিকে অসমে সুকীয়াকৈ নিজাকৈ উপগ্ৰহ স্থাপন কৰাৰ কি প্ৰয়োজন? কেৱল সেয়াই নহয়, জানুৱাৰী মাহত উমৰাংছ' কয়লা খনিৰ দুৰ্ঘটনাৰ চেটেলাইট ছবি ল'বলৈ অসম চৰকাৰে ৪৫ দিন অপেক্ষা কৰিবলগীয়া হোৱা বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে। কিন্তু বাস্তৱত প্ৰতিখন ৰাজ্যই ইছৰ'ৰ জৰিয়তে কেন্দ্ৰীয় উপগ্ৰহৰ তথ্য সংগ্ৰহ কৰিব পাৰে, আৰু ইয়াৰ বাবে ইমান সময় লোৱাৰ কোনো প্ৰশ্নই উত্থাপন নহয়। আনকি ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাইও চেটেলাইট চোৰাচিতাৰ জৰিয়তে সীমান্ত নিৰীক্ষণ কৰে। গতিকে অসম চৰকাৰে নতুন উপগ্ৰহ স্থাপনৰ প্ৰকৃত উদ্দেশ্য কি সেই প্ৰশ্নও উত্থাপন হৈছে? বাজেট ভাষণত বিত্তমন্ত্ৰীয়ে উপগ্ৰহ নিৰ্মাণত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ বিষয়টোও উল্লেখ কৰে, যিটো সপোনৰ দৰে হ'লেও বাস্তৱত এক অতি জটিল প্ৰক্ৰিয়া বুলি দাবী কৰিছে বিৰোধীয়ে। আনকি মহাকাশ প্ৰযুক্তিৰ গৱেষণা, নিৰ্মাণ, উৎক্ষেপণ, পৰীক্ষামূলক উপগ্ৰহৰ পৰিচালনাৰ বাবে যি ধৰণৰ আন্তঃগাঁথনি, কাৰিকৰী বিশেষজ্ঞতা, আৰু বিপুল পুঁজিৰ প্ৰয়োজন হয়, সেই ধৰণৰ আন্তঃগাঁথনি, কাৰিকৰী বিশেষজ্ঞতা, আৰু বিপুল পুঁজি কাৰ্যকৰী কৰিবলৈও অসম চৰকাৰ সক্ষম নেকি বুলি প্ৰশ্ন উত্থাপন হৈছে। অসম চৰকাৰৰ এই ঘোষণাৰ পিছতে শিক্ষিত মহলত আলোচনা আৰম্ভ হৈছে যে হিমন্ত চৰকাৰে আচলতে জনসাধাৰণৰ বিভ্ৰান্তিৰ মাজত ৰাখি নিজৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ প্ৰচেষ্টা চলাইছে। মন কৰিবলগীয়া যে, মাত্ৰ কিছুদিন পূৰ্বে অসমক "বিশ্বমানৰ শিক্ষা ব্যৱস্থা"ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল মুখ্যমন্ত্ৰীয়ে, কিন্তু বাস্তৱত ৰাজ্যৰ বহু বিদ্যালয়-মহাবিদ্যালয়ৰ আন্তঃগাঁথনি এতিয়াও পুতৌজনক অৱস্থাত আছে। স্বাস্থ্য খণ্ডৰ ভংগুৰ স্থিতিয়ে বাৰে বাৰে দখল কৰি আহিছে বাতৰিৰ শিৰোনাম। এনে পৰিস্থিতিত অসমৰ নিজা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণৰ দৰে এক অভিলাষী প্ৰকল্প কিমান বাস্তৱসন্মত তাক লৈ প্ৰশ্নৰ উদ্ৰেক ঘটিছে। একাংশৰ মতে, আচলতে এয়া চৰকাৰৰ নতুন ‘বৃহৎ প্ৰতিশ্ৰুতি’ যাৰ জৰিয়তে সাধাৰণ জনতাক উন্নয়নৰ মিছা সপোন দেখুওৱা হৈছে। বাস্তৱত অসম চৰকাৰৰ হাতত এনে কোনো প্ৰযুক্তি নাই যিয়ে নিজৰ উপগ্ৰহ নিয়ন্ত্ৰণ কৰিব পাৰিব। যদি মুখ্যমন্ত্ৰীয়ে সঁচাকৈয়ে ৰাজ্যৰ উন্নয়ন বিচাৰে তেন্তে প্ৰথমে শিক্ষা, স্বাস্থ্য, আন্তঃগাঁথনিৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে সচেতন মহলে। বিষয়টোৱে সামাজিক মাধ্যমতো চৰ্চা লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণোদয়, নিযুত মাইনা, উদ্যমিতাৰ

মহিলা উদ্যমিতা অভিযানৰ বাবে আজি বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে উত্থাপন কৰা বাজেটত ৮৪২৯ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। কেৱল মহিলা হিতাধিকাৰীক হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ৮৪২৯ কোটি টকা প্ৰদান কৰিব। নিৰ্বাচনৰ পূৰ্বে এই ধন প্ৰদান কৰিবলৈ বাজেটত নিৰ্ধাৰণ কৰিছে। বিত্তমন্ত্ৰীয়ে আজি উত্থাপন কৰা বাজেট উল্লেখ কৰা মতে অৰুণোদয় আঁচনিৰ বাবে মুঠ ৫০০০ হাজাৰ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। আনহাতে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিত ৩,০৩৮ কোটি টকা আৰু নিযুত মাইনা আঁচনিৰ বাবে ৩৯১ কোটি টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে। আজি বাজেটত উল্লেখ কৰা মতে, বিধৱাসকলৰ পেন্সন যাতে অৰুণোদয়ৰ সমপৰ্যায়ৰ হয় সেয়া নিশ্চিত কৰিবলৈ চৰকাৰে ৰাষ্ট্ৰীয় বিধৱা পেন্সন আঁচনিৰ হিতাধিকাৰীলৈ টপ-আপ পেন্সন আগবঢ়াব। ২০২০ চনত অৰুণোদয় আৰম্ভ কৰি ১৮ লাখ মহিলাক সামৰি লৈছিল, ২০২৩ চনৰ ডিচেম্বৰলৈ অৰুণোদয়ৰ হিতাধিকাৰী হয় ২৪ লাখ। ২০২৫-২৬ বিত্তীয় বৰ্ষত অৰুণোদয় ৩.০ৰ অধীনত হিতাধিকাৰীৰ সংখ্যা ৩৭.২ লাখলৈ বৃদ্ধি কৰা হ'ব। ২০২৫ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত বড়োলেণ্ডৰ বাহিৰে ৩৭.২ লাখ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিব। ইয়াৰ বাবে ৫ হাজাৰ কোটি টকা আছুতীয়াকৈ ৰখাৰ প্ৰস্তাৱ লয়। আনহাতে, মহিলাৰ বাবে ৰূপায়ন কৰা মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ বাবে বৃহৎ বাজেট নিৰ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজি আগবঢ়াই গ্ৰামাঞ্চলৰ ৩০ লাখ আত্মসহায়ক গোট আৰু নগৰাঞ্চলৰ ২ লাখ আত্মসহায়ক গোটৰ সদস্যক সামৰি ল'ব। বেংকৰ জৰিয়তে ২৫ হাজাৰ টকাৰ ঋণ আগবঢ়োৱা হ'ব। এই ঋণৰ বিপৰীতে ৰাজসাহায্য আগবঢ়াব। ২০২৫ বৰ্ষৰ ১ এপ্ৰিলত বিহালী বিধানসভা সমষ্টিৰ পৰা এই আঁচনিখন শুভাৰম্ভ কৰাৰ ঘোষণা কিৰ বাজেটত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ ৩,০৩৮ কোটি টকা ব্যয় কৰাৰ প্ৰস্তাৱ লয়। হিমন্ত বিশ্ব শৰ্মাৰ আন এখন অভিলাষী আঁচনি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৯১ কোটি টকা আৱণ্টন দিব চৰকাৰে। বিত্তমন্ত্ৰীয়ে নিযুত মইনা আঁচনিক লৈ বাজেটত উল্লেখ কৰা মতে, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিয়ে শিক্ষা সমাপ্ত নকৰাকৈয়ে বিদ্যালয় ত্যাগ কৰা ছাত্ৰীৰ হাৰ হ্ৰাস তথা বাল্যবিবাহৰ দৰে কু-সংস্কাৰ ৰোধ কৰি স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। এই আঁচনিখন লিংগ সমতা আৰু ব্যাপক উন্নয়নৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ প্ৰতীক। ১০ মাহৰ বাবে প্ৰতিমাহে একাদশ শ্ৰেণীৰ ছাত্ৰীসকলৰ বাবে ১,০০০ টকা, স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰীসকলৰ বাবে ১,২৫০ টকা আৰু স্নাতকোত্তৰ তথা বিএডৰ প্ৰথম বৰ্ষৰ ছাত্ৰীসকললৈ ২,৫০০ টকাকৈ প্ৰদান কৰি স্ত্ৰী শিক্ষাক আগুৱাই নিয়াৰ লক্ষ্যৰে আমি এই আঁচনিখন আৰম্ভ কৰিছে। বিত্তমন্ত্ৰীয়ে আজি উল্লেখ কৰা মতে, যোৱা বৰ্ষত প্ৰায় ১.৮ লাখ ছাত্ৰী উপকৃত হৈছে। এই বৰ্ষত আমি ৪.৩ লাখ ছাত্ৰীলৈ নিযুত মইনা আঁচনিখন সম্প্ৰসাৰণ কৰিব। দ্বিতীয় বৰ্ষলৈ উত্তীৰ্ণ হোৱা ছাত্ৰীসকলৰ লগতে প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীক সামৰি ল'ব। প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ছাত্ৰীসকলৰ বাবে ২০২৫-২৬ত ৩৯১ কোটি টকা আৱণ্টন দিয়া হৈছে।

জীৱন সেইটো নহয় যিটো আমি জীয়াই থাকোঁ, জীৱন সেইটোহে যিটো আমি তৈয়াৰ কৰো- ডঃ ভূষণ চন্দ্ৰ পাঠক

# কলগাছিয়াৰ টি এন ডি মডেল একাডেমীত বিজ্ঞান শাখাৰ দ্বাৰ মুকলি

**ই-সংবাদ, কলগাছিয়া, ১০ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত আদিতপুৰত ১৯৮০ চনত স্থাপন হোৱা জিলাখনৰ প্ৰথমখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান টি এন ডি মডেল একাডেমীখন টি এন ডি মডেল একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুললৈ উন্নীতকৰণ কৰা হয়। সেয়ে অনুষ্ঠানটোত চলিত বৰ্ষৰপৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিজ্ঞান আৰু কলা শাখাৰ শুভাৰম্ভ কৰাৰ লগতে দেওবাৰে নতুনকৈ নিৰ্মাণ কৰা পকী বিল্ডিঙৰ দ্বাৰ মুকলি কৰা হয়। তদুপলক্ষে আয়োজন কৰা মুকলি সভাত সভাপতিত্ব কৰে বৰপেটা জিলা পৰিষদৰ প্ৰাক্তন সভাপতি মজবৰ ৰহমান খানে আৰু অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বি এইচ কলেজৰ অধ্যক্ষ বিশিষ্ট লেখক, গল্পকাৰ শিক্ষাবিদ ডঃ ভূষণ চন্দ্ৰ পাঠক। ভাষণত তেখেতে কয় যে অনুষ্ঠানটোৱে ভৱিষ্যতলৈ মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰপৰা কেৱল ডাক্তৰ-ইঞ্জিনিয়াৰেই নহয় প্ৰকৃত মানুহ সৃষ্টি কৰক। আশাকৰো এই অনুষ্ঠানৰপৰা কেৱল মানুহ সৃষ্টি হ'ব। তেখেতে আৰু কয় যে জীৱন সেইটো নহয় যিটো আমি জীয়াই থাকো, জীৱন সেইটোহে যিটো আমি তৈয়াৰ কৰো। অনুষ্ঠানটোত অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক ডাবু নাৰায়ণ কোঁৱৰে জিলাখনৰ ভিতৰত সৰ্বপ্ৰথম ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰাৰ বাবে স্থানীয় ৰাইজ, শিক্ষাবিদ, অভিভাৱক আৰু উদ্যোক্তাসকলক ভূয়সী প্ৰশংসা কৰে। সভাখনত উদ্বোধনী ভাষণ প্ৰদান কৰে টি এন ডি মডেল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পৰিচালন সঞ্চালক আব্দুল ওৱালেচ আহমেদে। অতিথি হিচাপে উপস্থিত থাকি মূল্যৱান ভাষণ আগবঢ়ায় আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিক, নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আবু বক্কৰ ছিদ্দিক, গৌৰীপুৰ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল বাৰিক আহমেদ, বি বি মহাবিদ্যালয়ৰ অধ্যাপক মোজাম্মেল হুছেইন, নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক আব্দুল হালিম আহমেদ, টি এন ডি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ৰুমেজ আলী, সাংবাদিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক আলতাপ হুছেইনৰ লগতে ছিদ্দিক আহমেদ, আতোৱাৰ ৰহমান, আব্দুল মজিদ আদি বিশিষ্ট ব্যক্তিসকল। উল্লেখযোগ্য যে ১৯৮০ চনত স্থাপন কৰা উক্ত শিক্ষানুষ্ঠানৰপৰা ইতিমধ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, অধিবক্তা হ'বলৈ সক্ষম হৈছে। বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে শিক্ষকতাৰ বৃত্তিত নিয়োজিত হৈছে। সভাৰ শেষত টি এন ডি মডেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নতুন ভৱনটো ফিটা কাটি উন্মোচন কৰে বিশিষ্ট সাংবাদিক ডাবু নাৰায়ণ কোঁৱৰে।

# বৈঠালাংছ'ত ৰেঙণি মণ্ডল সংগঠনৰ উদ্যোগত নাৰী দিৱস উদযাপন




**ই-সংবাদ, বৈঠালাংছ', ১০ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৈঠালাংছ'তো শনিবাৰে আন্তৰ্জাতিক নাৰী দিৱস দিনজোৰা কাৰ্যসূচীৰে ছেৰডিহুন আল্লামত পালন কৰা হয়। কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত অসম ৰাজ্যিক জীৱীকা অভিযান আৰু ৰেঙণি মণ্ডল সংগঠনৰ উদ্যোগত অনুষ্ঠিত হোৱা এই দিৱসৰ পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে জীৱীকা সখী বিউটি দেৱীয়ে। ইয়াৰ পিছত স্বচ্ছ অভিযান আৰু বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰি মহিলাসকলে ছেৰডিহুন আল্লামৰ পৰা এক শোভাযাত্ৰা বাহিৰ কৰে। স্থানীয় সমাজকৰ্মী হেমন্ত কুমাৰ নাথে আঁতধৰা মুকলি সভাত পৌৰোহিত্যত কৰে ৰেঙণি মণ্ডল সংগঠনৰ সভানেত্ৰী শিল্পী ৰয়ে। উক্ত সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰি ৰাংচিনা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ৰিমঝিম দত্তই নাৰী দিৱসৰ জন্মৰ ইতিবৃত্ত কথা উল্লেখ কৰি অতীতৰ পৰাই আমাৰ সমাজত প্ৰচলিত হৈ অহা পুষ্পিতা বিবাহৰ নামত শিশুৱে সন্মুখীন হোৱা নিৰ্যাতনৰ কথা বিৰোধিতা কৰি কয় যে এনে প্ৰথাই ছোৱালীক এক প্ৰকাৰ সন্তান জন্ম দিব পৰা ক্ষমতা ধাৰণ কৰাৰ বিজ্ঞাপন দিয়াৰ লেখীয়াহে হয়। লগতে এনেদৰে পুষ্পিতা বিবাহৰ নামত ঢাক-ঢোল বজোৱাতকৈ শিশুকন্যাটিক শিক্ষিত কৰি তোলাতোহে যুগুত বুলি মতপ্ৰকাশ কৰে। সভাত বৈঠালাংছ' থানাৰ এছ আই শ্যামানন্দ জি মমিনে অংশগ্ৰহণ কৰি নাৰী দিৱসৰ তাৎপৰ্যৰ ওপৰত এলানি ব্যাখ্যা আগবঢ়ায়। মুকলি সভাৰ পিছত সংকল্প যাত্ৰা নামৰ এখন বাটৰ নাট স্থানীয় মহিলা কলা-কুশলীসকলে প্ৰদৰ্শন কৰে। নিচাসক্ত লোকে নিজৰ পৰিয়ালৰ লগতে সমাজত কিদৰে নেতিবাচক প্ৰভাৱ পেলায় আৰু ইয়াক নিৰ্মূল কৰিবলৈ নাৰীশক্তিয়ে কেনেদৰে ফলপ্ৰসূ ব্যৱস্থা লয়, এই সন্দৰ্ভত সংকল্প যাত্ৰা নামৰ বাটৰ নাট পৰিৱেশনে সমাজলৈ এক সুন্দৰ ধনাত্মক বাৰ্তা প্ৰেৰণ কৰে। উক্ত নাৰী দিৱসত ৰাংচিনা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ৰিমঝিম দত্ত, আৰক্ষী বিভাগৰ হৈ বৈঠালাংছ' থানাৰ এছ আই শ্যামানন্দ জি মমিন আৰু ডব্লিউ পি চি ৩১০ মৰমী নাথ, স্বাস্থ্য বিভাগৰ এছ ডব্লিউ পাপৰী বৰা, অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা অভিযান কঠিয়াতলি উন্নয়ন খণ্ডৰ খণ্ড সমন্বয়ক অভিজিৎ ঘটক, সমাজসেৱক সুকলাল মণ্ডল, মাডুল ৰয়, সাংবাদিকদ্বয় লক্ষী প্ৰসাদ নাথ আৰু হেমন্ত কুমাৰ নাথ, জীৱীকা সখী ক্ৰমে বিউটি দেৱী, ডলি সৰকাৰ, অঞ্জুমা খাতুন, টুটুমণী বৰা আৰু লক্ষী দেৱনাথ, পশুসখী ক্ৰমে ববিতা দাস, মঞ্জু বৰা, সীমা দাস আৰু ৰেহেনা খাতুন, বেংক মিত্ৰ সুচিদা খাতুন, কৃষিসখী ক্ৰমে শান্তিৰয় মণ্ডল, চেহেনাচ পাৰবীন, তাপসী দাস, অলকা ৰয় মাৰ্জী, চেহেনাচ চুলতানা আৰু গংগা দেৱী, উদ্যোগ সখী ৰুমি মণ্ডল শীল, মাজিদা খাতুন, ফুলেচা খাতুন আৰু আফিয়া বেগম, চিএলএফৰ সম্পাদিকা কৃষ্ণ সৰকাৰ প্ৰমুখ্যে গ্ৰাম্য সংগঠনৰ সভানেত্ৰী আৰু সম্পাদিকাসকল উপস্থিত থাকে।

# আজিৰেপৰা মৰিগাঁৱত কৃষকমেলা

**ই-সংবাদ, লাহৰীঘাট, ১০ মাৰ্চঃ** মৰিগাঁও জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ সৌজন্যত কাইলৈৰপৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষকমেলা আয়োজন কৰা হৈছে। ১১ আৰু ১২ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ চৌহদত আয়োজিত এই কৃষক মেলাখনে জিলাখনৰ কৃষকসকলৰ বাবে এক বৃহৎ মঞ্চত পৰিগণিত হোৱাৰ লগতে মেলাখনে সামৰি লৈছে কৃষি-উদ্যান শস্যৰ প্ৰদৰ্শনী, বিভিন্ন বিভাগৰ দ্বাৰা উৎপাদিত উৎকৃষ্ট মানদণ্ডৰ সামগ্ৰী প্ৰদৰ্শন, কাৰিকৰী বিষয় সম্পৰ্কীয় আলোচনা-চক্ৰ, আধুনিক কৃষিযন্ত্ৰৰ প্ৰদৰ্শনী, কৃষকৰ প্ৰশিক্ষণ, বীজ বিতৰণ, কৃষক পঞ্জীয়ন, অন্তৰংগ মত বিনময় অনুষ্ঠান। ইয়াৰ উপৰি কৃষকসকলৰ বাবে বিভিন্ন শিতানত কাৰিকৰী প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব।

# হাজোৰ দলৈটোলাত চুৰি কাণ্ডৰ ঘটনা

**ই-সংবাদ, হাজো, ১০ মাৰ্চঃ** হাজোত দিনকদিনে বৃদ্ধি পাইছে চুৰি কাণ্ডৰ ঘটনা। কালি হাজো বিদ্যাপুৰৰ চুৰি কাণ্ডৰ পিছতে আজি আকৌ হাজোৰ দলৈটোলাত সংঘটিত হৈছে চুৰি কাণ্ডৰ ঘটনা। দলৈটোলাৰ চফিকুল হুছেইন নামৰ লোকজনৰ ঘৰত দৰ্জা ভাঙি চোৰে চলালে চাফাই অভিযান। পৰিয়ালটোৱে চিকিৎসাৰ বাবে যোৱা ৪ মাৰ্চ তাৰিখে গুৱাহাটীলৈ গৈ আজি গুৱাহাটীৰ পৰা দলৈটোলাৰ নিজ বাসগৃহত উপস্থিত হৈ ঘৰৰ দৰ্জাৰ এলদ্ৰৰ ভঙা দেখা পায়। চোৰে লোকজনৰ ঘৰৰপৰা গডৰেজ ভাঙি নগদ চাৰি লাখ সত্তৰ হাজাৰ টকাৰ লগতে প্ৰায় চল্লিশ লাখ টকাৰ সোণৰ আ-অলংকাৰ, চেকবুক এটা আৰু এখন এটিএম কাৰ্ড চুৰি কৰি লৈ যায়। ঘটনা সন্দৰ্ভত হাজো আৰক্ষী থানাত এজাহাৰ দাখিল কৰে ভুক্তভোগী পৰিয়ালটোৱে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত। হাজো আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ডবাৰমন দ'গৰ সহায়ত অভিযান চলাই যদিও বাতৰি যুগুত কৰা সময়লৈ কোনোধৰণৰ সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু প্ৰতিদিনে এইদৰে চুৰি কাণ্ডৰ ঘটনাই আৰক্ষী প্ৰশাসনৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া বুলি সচেতন মহলত চৰ্চা হৈছে।

# গোলকগঞ্জৰ চৰত সাৰৰ অভাৱত মৰহিছে তৰমুজ খেতি

**ই-সংবাদ, গোলকগঞ্জ, ১০ মাৰ্চঃ** ধুবুৰী জিলাৰ আগমনি গোলকগঞ্জ এলেকাত সাৰৰ অভাৱত মূৰে-কপালে হাত দিছে তৰমুজ খেতিয়কে। গোলকগঞ্জ সমষ্টিৰ মাজেৰে বৈ যোৱা গংগাধৰ নৈৰ মাজত আছে বৃহৎ বৃহৎ বালিচৰ। নৈৰ গৰাখহনীয়াৰ ফলত সৃষ্টি হোৱা এই চৰসমূহত আজি কিছু বছৰৰপৰা তৰমুজ খেতি কৰি যথেষ্ট লাভৱান হৈছে কৃষিভূমি হেৰুওৱা কৃষকসকল। বছৰত এবাৰ খেতি কৰিও কোনোমতে সংসাৰ পোহপাল দিব পৰা হৈছে। গোলকগঞ্জ সমষ্টিৰপৰা ট্ৰাকে ট্ৰাকে তৰমুজ চালান হয় গুৱাহাটীৰ লগতে উজনিৰ বিভিন্ন চহৰাঞ্চললৈ। যাৰবাবে ভাল বজাৰ মূল্য পাবলৈ সক্ষম হয় খেতিয়কে। কিন্তু এইবাৰ একমাত্ৰ সাৰৰ অভাৱৰ বাবে মূৰে-কপালে হাত দিব লগা হৈছে চৰৰ তৰমুজ খেতিয়কসকল। প্ৰয়োজনীয় সাৰ দিব নোৱাৰাৰ বাবে অকালতে মৰিব ধৰিছে তৰমুজৰ গছবোৰ। জানিব পৰা মতে, গোলকগঞ্জ আগমনি কালডোৱাৰ একাংশ সাৰৰ দোকানীয়ে অধিক মুনাফা লাভৰ বাবে সাৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিছে। আধাৰ কাৰ্ড জমা দিও সাৰ নোপোৱাৰ অভিযোগ উত্থাপন হৈছে। সাধাৰণ কৃষকক বঞ্চিত কৰি কলা বজাৰত সাৰ বিক্ৰী চলিছে। উপায়ন্তৰ হৈ একাংশ কৃষকে সাৰ বিচাৰি দূৰদূৰণিলৈ যোৱাৰ লগতে একাংশই পশ্চিমবংগৰপৰা অধিক দামত ক্ৰয় কৰি আনি আছে। কিন্তু অধিক দামত সাৰ ক্ৰয় কৰিলে লাভৰ সলনি ওলোটাই লোকচান ভোগাৰহে সম্ভাৱনায় প্ৰবল। ৰাজসাহায্যযুক্ত সাৰৰ অভাৱত তৰমুজ গছ মৰহিব ধৰাত চৰম দুঃশ্চিন্তাত ভুগিছে কৃষকসকল। কিন্তু কুম্ভকৰ্ণৰ নিদ্ৰাত শুই আছে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী। শীঘ্ৰে ইয়াৰ এক উচ্চপৰ্যায়ৰ তদন্তৰ লগতে সাৰৰ যোগান সুলভ কৰি কৃষকক সকাহ প্ৰদান কৰাৰ দাবী জনাইছে ভুক্তভোগি ৰাইজে।

# ৰহমৰীয়াৰ ইলিয়াছ আলী সন্ধানহীন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১০ মাৰ্চঃ** ডিব্ৰুগড় জিলাৰ ৰহমৰীয়া থানাৰ অন্তৰ্গত খাগৰি মাইজান গাঁৱৰ ইলিয়াছ আলী নামৰ ৪৫ বছৰীয়া ব্যক্তিজন যোৱা ৮ মাৰ্চৰপৰা সন্ধানহীন হৈ আছে। ৮ মাৰ্চত দিনৰ ১১ বজাৰলৈকে খাগৰি মাইজানৰ নিজ বাসগৃহতে আছিল ব্যক্তিজন। তাৰপিছতেই পৰিয়ালৰ কোনো সদস্যক খবৰ নিদিয়াকৈ হঠাৎ ওলাই গৈছিল ঘৰৰপৰা। সেইদিনাৰপৰা আজিপৰ্যন্ত ব্যক্তিজনৰ সৈতে কোনোধৰণৰ যোগাযোগ কৰিব পৰা নাই পত্নী তথা পৰিয়ালৰ লোকে। ওচৰ-চুবুৰীয়া আৰু আত্মীয়ৰ সৈতে যোগাযোগ কৰিও সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই ইলিয়াছ আলীক। অৱশেষত সোমবাৰে বিয়লি ৩ বজাত সন্ধানহীন হোৱা ব্যক্তিজনৰ পত্নীয়ে স্থানীয় ৰহমৰীয়া আৰক্ষী থানাত নিৰুদ্দেশ হোৱাৰ সন্দৰ্ভত অভিযোগ দাখিল কৰিছে। অতি সোনকালে স্বামীৰ সন্ধান উলিয়াবলৈ আৰক্ষীক আহ্বান জনাইছে পত্নীয়ে। কোনো লোকে যদি ব্যক্তিজনক দেখাপাই 6003567846 আৰু 6002876988 নম্বৰত খবৰ দিবলৈ আহ্বান জনাইছে ইলিয়াছ আলীৰ পত্নীয়ে।

# মাজুলী আছুৰ শ্বহীদ দিৱস পালন

**ই-সংবাদ বিশেষ, মাজুলী, ১০ মাৰ্চঃ** আজি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত ঐতিহাসিক অসম আন্দোলনৰ ৮৫৫ জন শ্বহীদৰ ভিতৰত, ১৯৮৩ চনৰ ১০ মাৰ্চৰ নিৰ্বাচনবিৰোধী আন্দোলনত জপিয়াই পৰি আত্মবলিদান দিয়া মাজুলীৰ একমাত্ৰ জাতীয় শ্বহীদ দণ্ডিৰাম ভৰালীৰ মৃত্যু তিথি পূব মাজুলী মহাবিদ্যালয়ৰ শ্বহীদ বেদীৰ প্ৰাংগণত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে শ্বহীদগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাই আঁতধৰা অনুষ্ঠানটোত শ্বহীদ পৰিয়ালৰ হৈ জ্যেষ্ঠ ভাতৃ নগেন ভৰালী, মহাবিদ্যালয় অধ্যক্ষ দীপক বৰা, অসমীয়া বিভাগৰ অধ্যাপিকা মালা গায়ন, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া, উপদেষ্টা পৱিত্ৰ গোস্বামী, অজিত হাজৰিকাকে প্ৰমুখ্যে কৰি জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল আৰু পূব মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# মধুপুৰ সত্ৰক ঐতিহ্যক্ষেত্ৰ ঘোষণাৰ সিদ্ধান্তক আদৰণি

**ই-সংবাদ, বৰপেটাৰোড, ১০ মাৰ্চঃ** অসম চৰকাৰে আজি দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ বিত্তীয় বাজেটত শ্ৰীমন্ত শংকৰদেৱে ইহলীলা সম্বৰণ কৰা তীৰ্থভূমি কোচ বিহাৰৰ মধুপুৰ সত্ৰক ঐতিহ্যক্ষেত্ৰৰূপে গঢ়ি তুলিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱাৰ বাবে বাজেটত গ্ৰহণ কৰা সিদ্ধান্তক উত্তৰ বংগ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদক কুমাৰ দীপক দাস তথা প্ৰচাৰ সম্পাদক যুগান্ত বায়নে আদৰণি জনাইছে। সমন্বয়ৰক্ষী সমিতিয়ে লগতে সত্ৰখনৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটত ৫০ লাখ টকা ধাৰ্য্য কৰা বাবে অসমৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি চৰকাৰৰ এনে সিদ্ধান্তই গুৰুজনাক বিশ্বজনীন কৰাৰ ক্ষেত্ৰত এক বিশেষ পদক্ষেপ হিচাপে সত্ৰ সংস্কৃতিৰ বুৰঞ্জীত অনন্ত কালৰ বাবে জিলিকি থাকিব। লগতে সমন্বয়ৰক্ষী সমিতিয়ে উত্তৰ বংগত অৱস্থিত বিভিন্ন সত্ৰ আৰু নামঘৰৰ উন্নয়নৰ বাবেও চৰকাৰী সাহায্য দিয়াৰ এখন আঁচনি গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়।

# সোণাৰিত চৰাইদেউ জিলা কংগ্ৰেছৰ মণ্ডল সভাপতি সন্মিলন সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১০ মাৰ্চঃ** চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰস্থিত চৰাদেউ জিলা কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত এখন গুৰুত্বপূৰ্ণ দলীয় সভা অনুষ্ঠিত হয়। চৰাইদেউ জিলা কংগ্ৰেছৰ অন্তৰ্গত সোণাৰি আৰু মাহমৰা সমষ্টিৰ পাঁচোটা ব্লকৰ সাতত্ৰিশটা মণ্ডলৰ সভাপতি সন্মিলনখনিত আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু তৃণমূল পৰ্য্যায়ত দলৰ ভেটি অধিক শক্তিশালী কৰি তোলাৰ বিষয়ত আলোচনা কৰা হয়। বিশেষকৈ পঞ্চায়ত নিৰ্বাচনত বিজেপি দলে যাতে কংগ্ৰেছ কৰ্মীসকলৰ মনোবল ভাঙিব নোৱাৰে তাৰপ্ৰতি ৰণকৌশল প্ৰস্তুত কৰিবলৈ মণ্ডল সভাপতিসকলক এই সভাতেই নিৰ্দেশনা দিয়া হয় বুলি জানিব পৰা গৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ বিশেষ তত্ত্বাৱধায়ক বিকাশ উপাধ্যায়ৰ পৌৰোহিত্যত অনুষ্ঠিত সন্মিলনখনিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক ৰৌশন লাল ছেত্ৰী, সম্পাদক ৰাজকুমাৰ নীলনেত্ৰ নেওগ, চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈ, ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি দেৱৰঞ্জন গগৈকে প্ৰমুখ্য কৰি চৰাইদেউ জিলা কংগ্ৰেছৰ সমূহ বিষয়ববীয়া-কাৰ্যকৰ্তা, ব্লক, মণ্ডল পৰ্য্যায়ৰ বিষয়ববীয়া-কাৰ্যকৰ্তা, সমূহ ভাতৃ-ভগ্নী সংগঠনৰ লগতে বিভাগ আৰু কোষসমূহৰ বিষয়ববীয়া-কাৰ্য্যকৰ্তাই অংশগ্ৰহণ কৰে। ইফালে, এই সভাত অংশগ্ৰহণ কৰিবলৈ আহি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ বিশেষ পৰ্যবেক্ষক বিকাশ উপাধ্যায়ে বিজেপি চৰকাৰৰ ক্ষুৰধাৰ সমালোচনা কৰে সংবাদ মাধ্যমৰ আগত। বিজেপি চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে হিতাধিকাৰী সৃষ্টিৰ জৰিয়তে ৰাইজক সহায় কৰা বুলি প্ৰচাৰ চলাইছে যদিও প্ৰকৃতাৰ্থত চৰকাৰে ৰাইজক সহায় কৰা নাই, প্ৰতাৰণাহে কৰিছে বুলি মন্তব্য কৰে বিকাশ উপাধ্যায়ে। আনহাতে, টকাৰে ভোট কিনিবলৈ বিজেপি চৰকাৰে প্ৰলোভনৰ ৰাজনীতি কৰা বুলি মন্তব্য আগবঢ়াই চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, প্ৰলোভনৰ ৰাজনীতিৰ জৰিয়তে বিজেপিৰ চৰকাৰ বেছিদিন বৰ্তি থাকিব নোৱাৰে। ৰাইজ ইতিমধ্যে সজাগ হৈছে। বিজেপিয়ে ধনবল প্ৰদৰ্শনেৰে ৰাইজৰ আস্থাভাজন হ'ব পাৰিম বুলি ভাবিলেও ৰাইজ কিন্তু এইবাৰ কংগ্ৰেছৰ পক্ষতহে থাকিব। বিগত নিৰ্বাচনত যোৰহাট লোকসভা সমষ্টিৰ ফলাফলে সেই কথা প্ৰমাণিত কৰিছে।

# ১১ বছৰীয়া শিশু বৃদ্ধৰ কামনাৰ বলি

## কামপুৰত সভ্য সমাজক লজ্জানত কৰা ঘটনা

**ই-সংবাদ, কামপুৰ, ১০ মাৰ্চঃ** এজন ৫০ বছৰ উৰ্দ্ধৰ লম্পট লোকৰ কামনাৰ বলি হ'ল এগৰাকী ১১ বছৰীয়া শিশু। নিজৰ ব্যৱসায় প্ৰতিষ্ঠানৰ ভিতৰৰ গোপন কোঠাত কিশোৰীগৰাকীৰ লগত অপকৰ্মত লিপ্ত হয় শ্যাম বৰা নামৰ লোকজন। জানিব পৰা মতে, লোকজনে অপকৰ্ম কৰাৰ পিছত শিশুটিয়ে মাক-দেউতাকক এইকথা সদৰি কৰাত সকলো পোহৰলৈ আহে। ইতিমধ্যে শিশুটিৰ দেউতাকে কামপুৰ আৰক্ষীক এজাহাৰ দাখিল কৰিছে। কামপুৰ আৰক্ষীয়ে লম্পট শ্যাম বৰাক আটক কৰি 42/25-127 (2) 75 (2) 65 (2) 62BNS-RWS 6/10/18 POCSO নম্বৰৰ গোচৰ ৰুজু কৰি শ্যাম বৰাক জে'ললৈ প্ৰেৰণ কৰিছে।

# ৰামাপাৰাত বিৰল প্ৰজাতিৰ মাছ

**ই-সংবাদ, শিমলীতোলা, ১০ মাৰ্চঃ** এটা বিৰল প্ৰজাতিৰ মাছে কৌতুহল সৃষ্টি কৰে নৱগঠিত চেঙা সমষ্টিৰ অন্তৰ্গত ৰামাপাৰা চৰত। অসমৰ নৈ-বিল আদিত বিভিন্নধৰণৰ মাছ পোৱা যায়। তেনে মাছবোৰৰ প্ৰায়ভাগেই বহুতৰে চিনাকি। তাৰ মাজতেই ৰামাপাৰাত ব্ৰহ্মপুত্ৰ নদীত উদ্ধাৰ এটা বিৰল প্ৰজাতিৰ মাছ। সাধাৰণতে দেখিবলৈ নোপোৱা এই মাছবিধক লৈ কৌতুহল সৃষ্টি হয় বৰপেটা জিলাৰ চেঙা সমষ্টিৰ ৰামাপাৰা চৰত। অচিনাকি মাছটোক স্বচক্ষে চাবলৈ গাঁওবাসীৰ হেতাপৰা ভিৰ কৰা পৰিলক্ষিত হয়। ব্ৰহ্মপুত্ৰ নদীত মেছেৰ আলী নামৰ লোকজনে জালেৰে মাছ মাৰি থকা অৱস্থাত হঠাতে তেওঁৰ জালত উঠে এই বিশেষ মাছটো। নাম নজনা বিৰল প্ৰজাতিৰ এই মাছবিধ দেখিবলৈ অসংখ্য মানুহে ভিৰ কৰা দেখিবলৈ পোৱা যায়। চাবলৈ অহা সকলোৰে মনত এটাই প্ৰশ্ন এই মাছবিধৰ নাম কি। কৌতুহলী অসংখ্য জনতাই মাছবিধৰ



বিষয়ে ইজনে-সিজনক প্ৰশ্ন কৰি ঔৎচ্যুকতা প্ৰকাশ কৰা পৰিলক্ষিত হয়। সাধাৰণতে এইধৰণৰ মাছ অসমৰ পুখুৰী বা অন্যান্য জলাশয়সমূহত দেখাপোৱা নাযায়। ব্ৰহ্মপুত্ৰ নদীত মাছমৰীয়াৰ জালত উদ্ধাৰ হোৱা এই বিৰল প্ৰজাতিৰ মাছটো বহু দূৰদূৰণিৰপৰা চাবলৈ অহা জনতাই সংৰক্ষণৰ দাবী জনায়।

# গল্পকাৰ ৰামচন্দ্ৰ নাথলৈ জ্ঞান ৰত্ন সাহিত্য একাডেমী ৰাষ্ট্ৰীয় বঁটা

**ই-সংবাদ, ছিপাঝাৰ, ১০ মাৰ্চঃ** ছিপাঝাৰ অঞ্চলৰ বৰদৌলগুৰি-ককাইতোলা নিবাসী তথা বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামচন্দ্ৰ নাথলৈ জ্ঞান ৰত্ন সাহিত্য একাডেমী নামৰ অনুষ্ঠানটিয়ে আগবঢ়াইছে জ্ঞান ৰত্ন সাহিত্য একাডেমী ৰাষ্ট্ৰীয় বটা। ৯ মাৰ্চত গুৱাহাটী বেলতলাস্থিত অমলপ্ৰভা ভৱনত অনুষ্ঠিত হোৱা অনুষ্ঠানটিৰ দশম ৰাষ্ট্ৰীয় সমাৱৰ্তন আৰু বঁটা প্ৰদান অনুষ্ঠানত সংগঠনটোৰ ৰাষ্ট্ৰীয় সভাপতি ড° হেমচন্দ্ৰ বৰ্মনৰ উপস্থিতিত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ, ৰাজনীতিবিদ পৃথিৱী মাঝিয়ে আনুষ্ঠানিকভাৱে ৰামচন্দ্ৰ নাথক প্ৰদান কৰে এই বঁটা। উল্লেখ্য যে আচামী, চোৰ, অপৰাধী, ঘৰ-সংসাৰ, হেংদাং শীৰ্ষক পাঁচখনকৈ গল্প সংকলনৰ লগতে অসম আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস শাকতোলা, চাকৰি কালৰ অভিজ্ঞতা সন্নিৱিষ্ট গ্ৰন্থ অফিচ ডায়েৰী, জীৱনীমূলক গ্ৰন্থ জীৱন অন্বেষণ আৰু প্ৰবন্ধ সংকলন প্ৰবন্ধ কৰণি শীৰ্ষক মুঠ নখন গ্ৰন্থ ৰচনা কৰিছে ৰামচন্দ্ৰ নাথে। সাহিত্য, সাংবাদিকতা, সংস্কৃতি, ক্ৰীড়া, আলোকচিত্ৰ, কৃষি, শিক্ষা আৰু সামাজিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা লোকসকলক অনুষ্ঠানটিয়ে এই সন্মান প্ৰদান কৰি আহিছে। দৰঙৰ উপায়ুক্ত কাৰ্যালয়ৰপৰা পৰিদৰ্শক সহায়ক পদবীৰপৰা অৱসৰগ্ৰহণ কৰা ৰামচন্দ্ৰ নাথে বিভিন্ন কাকত-আলোচনীত লেখামেলা কৰি অহাৰ উপৰিও স্মৃতিগ্ৰন্থ আদিও সম্পাদনা কৰি আহিছে। ছিপাঝাৰ সাহিত্য সভা পত্ৰিকাৰ সভাপতিৰ দায়িত্বও পালন কৰা ৰামচন্দ্ৰ নাথক জ্ঞান ৰত্ন সাহিত্য একাডেমীৰ জ্ঞান ৰত্ন সাহিত্য একাডেমী ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱাত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# নাৰী দিৱস উপলক্ষে দুলীয়াজানৰ মহিলা সাংবাদিক কৃষ্ণা গগৈক দুটাকৈ সংগঠনৰ সম্বৰ্ধনা

**ই-সংবাদ, দুলীয়াজান, ১০ মাৰ্চঃ** যোৱা ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে দুলীয়াজানৰ অতি সক্ৰিয় মহিলা সাংবাদিক কৃষ্ণা গগৈক ডিব্ৰুগড় জিলা বিজেপি মহিলা মৰ্চা আৰু বৃহত্তৰ অসমীয়া নাৰী মঞ্চয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা বিজেপি মহিলা মৰ্চাৰ উদ্যোগত আৰু দুলীয়াজান বিধানসভা সমষ্টিৰ তিনিওটা মণ্ডল মহিলা মৰ্চাৰ সহযোগত বিজেপি ভাদৈ মণ্ডলৰ নাওহলীয়া কাৰ্যালয়ৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা নাৰী দিৱসৰ লগত সংগতি ৰাখি সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগোৱাৰ লগতে স্ব-উদ্ভাৱনৰ যোগেদি আত্মনিৰ্ভৰশীল হোৱা আৰু সাহিত্য-সংস্কৃতি আৰু ক্ৰীড়া ক্ষেত্ৰখনত উজলি উঠা ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰৰ কেইবাগৰাকী প্ৰতিভাসম্পন্ন মহিলাক মহিলা মৰ্চাই সম্বৰ্ধনা জনায়। এই অনুষ্ঠানতে বিজেপিৰ মহিলা মৰ্চাই মতীন্দ্ৰ চৌধুৰী সোঁৱৰণী ৰাজ্যিক সাংবাদিকতা বঁটাপ্ৰাপক দুলীয়াজানৰ সাংবাদিক কৃষ্ণা গগৈক এখন সম্বৰ্ধনা-পত্ৰ, চেলেং চাদৰ আৰু কিতাপৰ টোপোলাৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। বিজেপিৰ ডিব্ৰুগড় জিলা মহিলা মৰ্চাৰ উপ-সভানেত্ৰী পুষ্পাঞ্জলী সোণোৱালে সভাপতিত্ব কৰা সভাখনত মুখ্য বক্তাৰূপে উপস্থিত থকা ডিব্ৰুগড় চৰকাৰী মহিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা গীতাশ্ৰী চৌধুৰীয়ে নাৰী দিৱসৰ তাৎপৰ্য তথা নাৰীৰ



দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সজাগতামূলক বক্তব্য আগবঢ়াই। একেদৰে সম্বৰ্ধিত ব্যক্তিৰ হৈ কৃষ্ণা গগৈ আৰু বিউতি লেখাৰুৱে নাৰী দিৱসৰ প্ৰাসংগিকতাৰে নাৰী শক্তিক উজ্জীৱিত কৰি তুলিব পৰাকৈ প্ৰেৰণামূলক বক্তব্য দাঙি ধৰে। ভাৰতীয় জনতা পাৰ্টী ডিব্ৰুগড় মহিলা মৰ্চাৰ সম্পাদিকা গৌৰী বৰাই আঁতধৰা এই সভাত বিজেপি ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভানেত্ৰী তথা ডিব্ৰুগড় জিলা প্ৰভাৰী দীপিকা দুৱৰীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মহিলা সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ আঁচনিসমূহৰ ওপৰত কিছু বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য তথা অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, ডিব্ৰুগড় জিলা বিজেপিৰ সভাপতি দুলাল বড়া, ৰাজ্যিক বিজেপিৰ মহিলা মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্যা স্বৰ্ণ শইকীয়া দেউৰী, দুলীয়াজান মণ্ডলৰ সভাপতি মাধুৰ্য সোণোৱাল, ভাদৈ মণ্ডলৰ সভাপতি জ্যোতিৰূপা হাজৰিকা আৰু টেঙাখাট মণ্ডলৰ সভাপতি নিজুমণি দাস সন্দিকৈৰ লগতে জিলা মহিলা মৰ্চাৰ ১৮ টা মণ্ডলৰ সভানেত্ৰী আৰু শতাধিক কৰ্মী। একেদৰে বৃহত্তৰ অসমীয়া নাৰী মঞ্চৰ ডিব্ৰুগড় জিলা আৰু দুলীয়াজান আঞ্চলিক সমিতিৰ উদ্যোগত দুলীয়াজানৰ মটৰ ৱৰ্কাচ ইউনিয়নৰ প্ৰেক্ষাগৃহত উদযাপন কৰা আন্তৰ্জাতিক নাৰী দিৱসত ৰাষ্ট্ৰীয়পৰ্যায়ত সুনাম অৰ্জন কৰা কণ্ঠশিল্পী বিদিশা হাতীমূৰীয়া আৰু সাংবাদিক কৃষ্ণা গগৈক নাৰী মঞ্চই গামোচা, চেলেং, সম্বৰ্ধনা-পত্ৰ আৰু ফুলেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানত উপস্থিত থাকি তাই আহোম ছাত্ৰ সন্থাৰ উপদেষ্টা অনিল গগৈ, ডিব্ৰুগড় জিলা আটাছুৰ সম্পাদক ৰূপম গগৈ, জিলা সমিতিৰ নাৰী মঞ্চৰ উপদেষ্টা বীণা কোঁৱৰ বৰুৱা আৰু বৃহত্তৰ অসমীয়া যুৱ মঞ্চ কেন্দ্ৰীয় সচিবপ্ৰধান মানস বৰুৱাই নাৰী দিৱস সম্পৰ্কত বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় জিলা সমিতিৰ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ সাংস্কৃতিক সচিব মুনিন্দ্ৰ গগৈয়ে আঁতধৰা অনুষ্ঠানত জিলা সমিতিৰ নাৰী মঞ্চৰ সভানেত্ৰী মৌচুমী হাতীবৰুৱা, সম্পাদিকা দিপালী ৰাজকোঁৱৰ, উপ-সভানেত্ৰী লক্ষিমী বড়ো, উদযাপন সমিতিৰ আঞ্চলিক সভানেত্ৰী প্ৰণতি ৰায়মেধি, আঞ্চলিক সম্পাদিকা প্ৰণতি বড়া প্ৰমুখ্যে কৰি নাৰী মঞ্চ আৰু বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ভালেসংখ্যক বিষয়ববীয়া আৰু কৰ্মকৰ্তা উপস্থিত থাকে।

# চামগুৰিৰ বকুলতলত জ্ঞানদা সংগীত মহাবিদ্যালয়ৰ শুভাৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ১০ মাৰ্চঃ** নগাঁও জিলাৰ চামগুৰিৰ বকুলতল অঞ্চলৰ নাট্যচ'ৰাত আজি জ্ঞানদা সংগীত মহাবিদ্যালয় নামেৰে এখন সংগীত বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। জ্ঞানদা সংগীত মহাবিদ্যালয় তথা সত্ৰীয়া আৰু শাস্ত্ৰীয় সংগীত চৰ্চা কেন্দ্ৰটোৰ শুভাৰম্ভ অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন মুকলি সভা আৰু এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। ধ্বলি বালিপাৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ যদুমণি গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জ্ঞানদা সংগীত মহাবিদ্যালয়ৰ শুভাৰম্ভৰ মুকলি সভাখনত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী কেশৰাম কলিতাই। জ্ঞানদা সংগীত মহাবিদ্যালয়ৰ সঞ্চালক সত্যকাম বড়াই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখনত প্ৰাক্তন প্ৰধান শিক্ষক তথা জ্ঞানদা সংগীত মহাবিদ্যালয়ৰ সভাপতি ৰিপুঞ্জয় বৰা, ভোগেশ্বৰ বৰা, নিছিকান্ত হীৰা, বীৰেন হাজৰিকা, ধৰ্মেশ্বৰ বৰা, ঘনশ্যাম পাঠককে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। চুমকি বৈৰাগীয়ে বৰগীত পৰিৱেশন কৰা অনুষ্ঠানটো ভাস্কৰ্যপূৰ্ণ গায়নে সত্ৰীয়া নৃত্য (ৰাম বন্দনা) পৰিৱেশন কৰাৰ লগতে সংগীত তথা খেয়াল পৰিৱেশন কৰে দুৱৰী কাশ্যপে। জ্ঞানদ্বীপ হাজৰিকাৰ পৰিচালনাত খোলবাদন কৰে মৃগাংক শেখৰ ভূঞা, চাণক্য চৰণ বৰা, ৰিংকুমণি গায়ন, ত্ৰৈলোক্য গায়নে। তবলা বাদন কৰে ৰিচি শৰ্মা আৰু বাঁহী বাদন কৰে দেৱাশিস শইকীয়াই। যোগাসন প্ৰদৰ্শন কৰে গঙ্গাত্ৰী পাঠক আৰু ভূপেন্দ্ৰ সঙ্গীত পৰিৱেশন কৰে চিৰস্মান শান্দিল্য বৈৰাগী আৰু বিষ্ণু ৰাভা সংগীত পৰিৱেশন কৰে পূৰ্ণাঙ্গ বৈৰাগীকে ধৰি বহুকেইজন শিল্পীয়ে বিভিন্ন নৃত্য পৰিৱেশন কৰে। উল্লেখ্য যে গ্ৰামাঞ্চলত সাংস্কৃতিক বৌদ্ধিক বিকাশৰ বাবে তথা নৱপ্ৰজন্মক সাংস্কৃতিক চৰ্চাৰ জৰিয়তে অসমীয়া কৃষ্টি-সংস্কৃতিৰ পথাৰখন জীপাল কৰাৰ অৰ্থে জ্ঞানদা সংগীত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছে বুলি জ্ঞানদা সংগীত মহাবিদ্যালয়ৰ সঞ্চালক সত্যকাম বড়াই জানিবলৈ দিয়াৰ লগতে বৰগীত, সত্ৰীয়া নৃত্য, খোলবাদন, কণ্ঠ, সংগীত, তবলা চিৰসেউজ অসমীয়া গীত, বাঁহী, গীটাৰ, যোগাসন, আবৃত্তি আদিকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি মহাবিদ্যালয়খনৰ সঞ্চালক সত্যকাম বড়াই জানিবলৈ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ৰাইজৰ দলত একনায়কত্ববাদ! অখিলক সমালোচনা কৰি বহিস্কৃত নলবাৰীৰ জ্ঞানেন চক্ৰৱৰ্তী

**ই-সংবাদ, ১০ মাৰ্চঃ** সামাজিক মাধ্যমত অখিল গগৈক সমালোচনা কৰি দলৰ পৰা বহিস্কৃত হ'ল ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ তথা নলবাৰী জিলা সমিতিৰ সভাপতি জ্ঞানেন চক্ৰৱৰ্তী। ৰাইজৰ দলৰ অফিছিয়েল ফেছবুক পেজত দলৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) চিন্ময় বৰাৰ স্বাক্ষৰ সম্বলিত অব্যাহতি পত্ৰৰ পৰা পোহৰলৈ আহিছে এই কথা। পত্ৰত জ্ঞানেন চক্ৰৱৰ্তীক উদ্দেশ্য কৰি লিখা হৈছে, ০৭/০৩/২০২৫ তাৰিখে আপোনালৈ প্ৰেৰণ কৰা RD/ADMN/SC/02 2025 নং কাৰণ দৰ্শোৱা জাননীৰ উত্তৰ গ্ৰহণযোগ্য নহয় বুলি বিবেচনা কৰা হৈছে। দলৰ গুৰু দায়িত্ব বহন কৰি এনেধৰণৰ নেতিবাচক বিচাৰধাৰা প্ৰচাৰ কৰি দলীয় অনুশাসন ভংগ কৰাৰ বাবে আপোনাক পৰৱৰ্তী জাননী নিদিয়ালৈকে দলৰ মুখপাত্ৰ তথা ৰাইজৰ দলৰ নলবাৰী জিলাৰ সভাপতি পদৰ পৰা ১০-০৩-২০২৫ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ দলৰ সংবিধানৰ অনুচ্ছেদ নং ২০.২ (A) অনুযায়ী দলীয় বিষয়বাবৰ পৰা অব্যাহতি প্ৰদান কৰা হ'ল। উল্লেখ্য, শেহতীয়াকৈ অখিল গগৈয়ে ড০ হীৰেন গোহাঁইক কংগ্ৰেছী বুদ্ধিজীৱি আখ্যা দিয়া বুলি চৰ্চা চলিছিল। এই সন্দৰ্ভত অখিল গগৈক উদ্দেশ্যি জ্ঞানেন চক্ৰৱৰ্তীয়ে ফেছবুকত লিখিছিল, হীৰেন গোহাঁই ছাৰ বিজেপি নেকি? হীৰেন গোহাঁই ছাৰ কংগ্ৰেছ নেকি? হীৰেন গোহাঁই ছাৰ বাওঁপন্থী নেকি? হীৰেন গোহাঁই ছাৰ হিন্দু মৌলবাদী নেকি? হীৰেন গোহাঁই ছাৰ মুছলিম মৌলবাদী নেকি?



হীৰেন গোহাঁই ছাৰ খ্ৰীষ্টান মৌলবাদী নেকি? নে হীৰেন গোহাঁই ছাৰে আমাৰ পৰা কিবা বটা-বাহন বিচাৰিছে? নে হীৰেন গোহাঁই ছাৰে অসমৰ মুখ্যমন্ত্ৰী হ'বলৈ বিচাৰে? আপুনিও গোহাঁই ছাৰক আক্ৰমণ কৰে, হিমন্ত বিশ্ব শৰ্মায়ো গোহাঁই ছাৰক আক্ৰমণ কৰে। পাৰ্থক্যটো ক'ত? অনবৰতে বুমডাল, অনবৰতে চচিয়েল মিডিয়াত নিজৰ চাৰ্টিফিকেট। অনবৰতে ইমান উত্তেজিত হৈ থাকে কিয়? হৈছে কি আপোনাৰ? 'সদনলৈ যাবলৈ ইচ্ছা নোযোৱা হ'ল', 'বুদ্ধিজীৱী নিৰপেক্ষ নহয়', 'সিংহ গৰ্জন দিলো', 'ভিতৰত কাজিয়া কৰি আহি বাহিৰত হিমন্ত বিশ্ব শৰ্মাৰ বিৰল ৰাজনৈতিক সৌজন্যৰ মুখামুখি হ'লো', এইবোৰ বাৰে বাৰে কিয়? চাৰ্টিফিকেট আপোনাক ৰাইজে দিব, আপুনি নিজেই নিজৰ চাৰ্টিফিকেট নল'ব। আপুনি কাৰো কথা নুশুনে, কাৰো পৰামৰ্শ আৰু উপদেশ গ্ৰহণ নকৰে। মেচেজ দিলেও পঢ়ি নাচায়। আপোনাক ভাল পোৱা মানুহবোৰে আমাক বাৰে বাৰে অনুৰোধ কৰি আছে যে আপোনাৰ কাণত কথাবোৰ পেলাব লাগে। তীব্ৰ সমালোচনা কৰি থাকি আকৌ বিৰোধী ঐক্যমঞ্চত যোগ দিবলৈ মাতিব? এইবোৰ এবচাৰ্ড কথা নহয়নে? এটা ৰাজনৈতিক দলৰ সভাপতি হিচাপে নিজৰ গুৰু-গম্ভীৰতা ধৰি ৰাখক। আপুনি সাংবাদিকৰ বুমডাল এৰক, আপুনি সকলোকে আক্ৰমণ কৰা বন্ধ কৰক! উপায় নাপাই কথাখিনি চচিয়েল মিডিয়াতে ক'লো, মাৰ্জনা বিচাৰিছো। আৰু যদি দলীয় অনুশাসন ভংগ কৰা বুলি ভাবে আমাক দলৰ পৰাই আতঁৰাই দিলে হ'ল। সামাজিক মাধ্যমত জ্ঞানেন চক্ৰৱৰ্তীয়ে লিখা এই পোষ্টৰ পাছতেই সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা জিলা সভাপতি গৰাকীক এই সন্দৰ্ভত কাৰণ দৰ্শোৱাৰ জাননীও প্ৰেৰণ কৰা হৈছিল। এই জাননীৰ উত্তৰ মনঃপুত নোহোৱাত নেতাগৰাকীক বহিস্কাৰ কৰা হয়। জিলা সভাপতিক বহিষ্কাৰ কৰাৰ লগে লগে ভংগ হৈ পৰে জিলা সমিতিখন। এক সমৰ্থিত সূত্ৰৰ খবৰ অনুসৰি জ্ঞানেন চক্ৰৱৰ্তীক বহিস্কাৰ কৰাৰ বাবে জিলাখনৰ একাংশ কৰ্মকৰ্তা ক্ষোভিত হৈ পৰিছে। যাৰ পৰিণতিত তেওঁলোকে জ্ঞানেন চক্ৰৱৰ্তীৰ বহিস্কাৰ প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰীয় সমিতিৰ ওচৰত হেঁচা দিবলৈ যো-জা চলাইছে। যদি তেওঁলোকৰ দাবী মানি নলয় তেনেহ'লে সমূহীয়া পদত্যাগৰ দৰে পদক্ষেপো গ্ৰহণ কৰাৰ ইংগিত দিছে। আনফালে সমগ্ৰ বিষয় সন্দৰ্ভত জ্ঞানেন চক্ৰৱৰ্তীয়ে মঙলবাৰে এখন সংবাদমেল সম্বোধন কৰিব বুলি জানিব পৰা গৈছে।

# অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, সমাজকৰ্মী অমূল্য ভাগৱতীৰ মৃত্যুত শোক

**ই-সংবাদ, গোৰেশ্বৰ, ১০ মাৰ্চঃ** অসম আন্দোলনৰ কৰ্মী, বিশিষ্ট সমাজকৰ্মী অমূল্য ভাগৱতীৰ আমিনগাঁৱস্থ জি এন আৰ চিত চিকিৎসাধীন অৱস্থাত কালি নিশা মৃত্যু হয়। গোৰেশ্বৰৰ মুক্তি যুঁজাৰু প্ৰয়াত পদ্মনাথ ভাগৱতীৰ জ্যেষ্ঠ পুত্ৰ অমূল্য ভাগৱতীৰ মৃত্যুৰ হোৱাৰ খৱৰে বৃহত্তৰ গোৰেশ্বৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলায়। ২২ ফেব্ৰুৱাৰীত গোৰেশ্বৰৰ চেউনী গাঁৰৰ নিজা ঘৰত উচ্চৰক্তচাপত আক্ৰান্ত হোৱাত পৰিয়ালে চিকিৎসালয় ভৰ্তি কৰাইছিল। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৭৭ বছৰ। গোৰেশ্বৰ অঞ্চলৰ সকলোৰে প্ৰিয়ভাজন অমূল্য ভাগৱতীয়ে গণসংগ্ৰাম পৰিষদ নামৰ সংগঠনটোৰ লগত জড়িত হৈ পিছলৈ ছবছৰেৰীয়া বিদেশী বহিস্কাৰ আন্দোলনত বিশেষভাবে জড়িত হৈ পৰিছিল আৰু কেইবাবাৰো আৰক্ষীৰ হাতত আটক হোৱাৰ লগতে কাৰাবাসও খাটিছিল। পৰৱৰ্তীকালত তেঁও অগপ দলৰ এজন কৰ্মী হিচাপে দলীয় কাম-কাজ কৰি অহাৰ উপৰিও চৰকাৰী চাকৰিৰ প্ৰতি মোহাচন্ন নহৈ পৰিয়াল পোহপাল দিয়াৰ তাগিদাত গড়কাপ্তানি বিভাগত ঠিকাৰ কামত জড়িত হৈছিল। গোৰেশ্বৰ অঞ্চলত নাট্য আন্দোলন গঢ়ি তোলাৰ বাবে ভাগৱতীয়ে আগভাগ লৈ পূবেৰুণ প্ৰডাকচন নামৰ সাংস্কৃতিক গোষ্ঠীটোৰ জন্ম দিছিল। বেতনা শিক্ষা আৰু কৃষি উন্নয়ন সংঘ, গোৰেশ্বৰ মহকুমা দাবী সমিতি, গোৰেশ্বৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, গোৰেশ্বৰ আঞ্চলিক ৰাস মহোৎসৱ পৰিচালনা সমিতি, বেতনা ৰাজহৱা দুৰ্গা পূজা উদযাপন সমিতি, অসম নাট্য সন্মিলনৰ গোৰেশ্বৰ শাখা, গোৰেশ্বৰ শংকৰদেৱ শিশু নিকেতনকে ধৰি বিভিন্ন সামাজিক কামত বিশেষভাবে জড়িত হৈ আহিছিল। বিশেষকৈ গোৰেশ্বৰ অঞ্চলৰ সভা-সমিতিত ভাগৱতীয়ে উপস্থিত থাকি আয়োজকক উৎসাহিত কৰি সভা শুৱনি কৰাই নহয় বিভিন্ন গঠনমূলক পৰামৰ্শ দিছিল। উক্ত চিকিৎসালয়ৰ পৰা ভাগৱতীৰ নশ্বৰদেহ গোৰেশ্বৰৰ নিজাগৃহলৈ অনাত অনেক গুণমুগ্ধই নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পণৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ভাগৱতীৰ মৃত্যুত বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তথা বিধায়ক ভবেশ কলিতাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। অগপৰ বঙিয়া জিলা সমিতিৰ প্ৰাক্তন সম্পাদক কলিমুদ্দিন আহমেদ, নীলকণ্ঠ ডেকা, বিশ্ব ডেকা, পূবেৰুণ প্ৰডাকচন তথা গোৰেশ্বৰ শংকৰদেৱ শিশু নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদক দধি কেওট, অসম নাট্য সন্মিলনীৰ জিলা সমিতিৰ উপ-সভাপতি ধৰ্মকান্ত ৰাজবংশী, গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজিৎ ডেকাকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত ভাগৱতীয়ে পত্নী, দুজনী বিবাহিত কন্যা-জোঁৱাই আৰু দুজন ভাতৃক ইহ-সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# শিৱসাগৰ ৰয়েলছ ক্ৰিকেট ক্লাব চেম্পিয়ন

**ই-সংবাদ, গোলাঘাট, ১০ মাৰ্চঃ** লাহৈগড় তৰুণ সমাজ ক্ৰীড়া সন্থা আৰু বৰছিলা কলা কৃষ্টি সংঘৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত মেচখন অনুষ্ঠিত হৈ যায়। প্ৰয়াত ডাঃ গোলাপ গায়ন আৰু প্ৰয়াত অকণমান গায়নৰ সোঁৱৰণত অনুষ্ঠিত কৰা হৈছিল এই টি-২০ ক্ৰিকেট প্ৰতিযোগিতা। চলিত বৰ্ষৰ জানুৱাৰী মাহৰ ২৯ তাৰিখৰ পৰা আৰম্ভ হৈছিল এই প্ৰতিযোগিতা। আজি এই প্ৰতিযোগিতাৰ চূড়ান্ত মেচখন অনুষ্ঠিত হয়। নাজিৰা চেণ্ট্ৰেল ক্লাব আৰু শিৱসাগৰ ৰয়েলছ ক্লাবৰ মাজত অনুষ্ঠিত হৈছিল এই মেচখন। টচত জয়ী হৈ প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নাজিৰা চেণ্ট্ৰেল ক্ৰিকেট ক্লাবে নিৰ্ধাৰিত ১৬ অভাৰত ৯টা উইকেট হেৰুৱাই ৮৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শিৱসাগৰ ৰয়েলছ ক্ৰিকেট ক্লাবে মুজিবুৰ আলীৰ দুৰ্দান্ত বেটিংৰ সহায়ত মাত্ৰ ৮ অভাৰত ১টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। খেলখনত মুজিবুৰ আলীক মেন অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়। উল্লেখ্যযোগ্য যে, সুদীৰ্ঘ ২৪ বছৰৰ মূৰত এনে ধৰণৰ ক্ৰিকেট প্ৰতিযোগিতা আমগুৰি সমষ্টিৰ ভিতৰত অনুষ্ঠিত হৈছে।

## নগাঁৱত আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১০ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ লীগৰ গ্ৰুপ-এৰ খেলত পলাইট ক্লাবে নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছক ১০ ৰাণত আৰু গ্ৰুপ-বিৰ খেলত জে বি ক্লাবে সঞ্জীৱন সমাজক ৩৪ ৰাণত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে, পুৱাবেলাৰ গ্ৰুপ-এৰ খেলখনত পলাইট ক্লাবে পোনতে বেট ধৰি ১৮ অভাৰত ছটা উইকেটৰ বিনিময়ত ১১০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰ্ছে ১৫.৩ অভাৰত ১০০ ৰাণ সংগ্ৰহ কৰোঁতেই সকলোকেইটা উইকেটৰ পতন ঘটে। ইপিনে, বিয়লিৰ গ্ৰুপ-বিৰ খেলখনত জে বি ক্লাবে পোনতে বেট ধৰি ১৮ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১৩৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত সঞ্জীৱন সমাজে ১০১ ৰাণহে কৰিবলৈ সক্ষম হয়।



১২ বছৰীয়া প্ৰতীক্ষাৰ অন্তত হাতত চেম্পিয়নছ ট্ৰফী লৈ উল্লাস কোহলি আৰু টিম ইণ্ডিয়াৰ

## আইপিএলৰ মাজত দেখা নাযাব ছেহৱাগ, গাভাস্কাৰৰ বিজ্ঞাপন

# ধঁপাত-মাদকৰ বিজ্ঞাপনক লৈ আইপিএল কৰ্তৃপক্ষলৈ পত্ৰ কেন্দ্ৰৰ

**নতুন দিল্লী, ১০ মাৰ্চঃ** আইপিএলৰ মঞ্চত ধঁপাত আৰু ড্ৰাগছৰ বিজ্ঞাপন বন্ধ কৰিবলৈ কৰ্তৃপক্ষলৈ পত্ৰ প্ৰেৰণ কৰিছে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে। স্বাস্থ্য মন্ত্ৰালয়ৰ সঞ্চালক প্ৰধান অতুল গোৱেলে আইপিএলৰ অধ্যক্ষ অৰুণ সিং ধুমললৈ প্ৰেৰণ কৰা পত্ৰত কয় যে ধঁপাত আৰু ড্ৰাগছৰ বিজ্ঞাপন দেশত স্বাস্থ্যজনিত সমস্যাৰ কাৰণ হৈ পৰিছে। পত্ৰখনত আৰু কোৱা হৈছে যে ভাৰতত ধঁপাত সংক্ৰান্তীয় ৰোগ আৰু মৃত্যুৰ হাৰ বিশ্বৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক, গতিকে এনে বিজ্ঞাপন বন্ধ কৰাৰ সময় আহি পৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে কয় যে আইপিএলৰ দৰ্শকৰ সংখ্যা দেশৰ ভিতৰতে সৰ্বাধিক, যিটো ধঁপাত আৰু ড্ৰাগছৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টিৰ এক শক্তিশালী মাধ্যম হ'ব পাৰে। এই বিজ্ঞাপন বন্ধ কৰিবলৈ ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী, বিজ্ঞাপন, ক্ৰিকেটাৰ বা মন্তব্যকাৰীৰ জড়িততাৰ সন্দৰ্ভত কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। পত্ৰখনত উল্লেখ আছে যে ষ্টেডিয়ামত বা মেচ সম্প্ৰচাৰৰ সময়ত ধঁপাত বা ড্ৰাগছৰ বিজ্ঞাপন দেখুৱাব নোৱাৰিব, আৰু খেলপথাৰ বা আন কোনো ঠাইত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী নিষিদ্ধ কৰা হ'ব। এই বিজ্ঞাপনত কোনো ক্ৰিকেটাৰ বা ধাৰাভাষ্যকাৰ জড়িত হ'ব নোৱাৰিব। এই সিদ্ধান্তৰ ফলস্বৰূপে আইপিএলত আৰু দেখা নাযাব প্ৰাক্তন ক্ৰিকেটাৰ সুনীল গাভাস্কাৰ আৰু বীৰেন্দ্ৰ ছেহৱাগৰ দৰে তাৰকাক লৈ ধঁপাতজাত সামগ্ৰীৰ বিজ্ঞাপন। ইয়াৰ বাহিৰেও বিৰাট কোহলিৰ দৰে তাৰকাইও ৰয়েল ষ্টেগৰ বিজ্ঞাপনত অংশ লৈছিল যদিও ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ মঞ্চত আৰু এনে বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব কৰ্তৃপক্ষই।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি